**অসম বিধানসভাৰ মাননীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় সদস্যসকল ঃ**

অসম বিধানসভাৰ এই পৱিত্ৰ সদনক আজি সম্বোধন কৰিবলৈ পাই মই যথেষ্ট সুখী অনুভৱ কৰিছো। এই পৱিত্ৰ মুহূৰ্তত সকলোলৈকে মোৰ সম্ভাষণ জ্ঞাপন কৰিছোঁ।এইটো সকলোৰে বাবে অতিশয় গৌৰৱৰ মুহূৰ্ত যে আমাৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ মৰণোত্তৰভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন প্ৰদান কৰিছে। ড° ভূপেন হাজৰিকাদেৱ আছিল একেধাৰে এগৰাকী সু-গায়ক, গীতিকাৰ, সংগীতজ্ঞ, কবি আৰু চলচ্চিত্ৰ নিৰ্মাতা। ড° হাজৰিকাদেৱৰ গীতসমূহে প্ৰতিটো প্ৰজন্মকে সন্মোহিত আৰু অনুপ্ৰাণিত কৰি পথ নিৰ্দেশনা প্ৰদান কৰিছিল। তেখেতৰ গীতসমূহৰ মূল বিষয় সাম্প্ৰদায়িক সম্প্ৰীতি, সাৰ্বজনীন ন্যায় আৰু আনৰ প্ৰতি থকা সম-অনুভূতিৰ ওপৰত প্ৰতিষ্ঠিত। সুধাকণ্ঠ গৰাকীৰ প্ৰতিটো গীতে আমাৰ জনজীৱনৰ বিভিন্ন দিশসমূহ স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। তেখেতে অসম আৰু উত্তৰ-পূব ভাৰতৰ সংস্কৃতি তথা লোক সংগীতক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয় কৰি তুলিছিল। ড° হাজৰিকাদেৱে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা, সংগীত নাটক একাডেমী বঁটা, পদ্মশ্ৰী, পদ্মভূষণ, পদ্ম বিভূষণ সন্মান আৰু দাদা চাহেব ফাল্কে বঁটা লাভ কৰিছিল। ড° হাজৰিকাদেৱ ১৯৬৭ ৰ পৰা ১৯৭২ চনলৈ এই পৱিত্ৰ সদনত এগৰাকী সন্মানীয় সদস্য আছিল।

বিগত বাজেট অধিৱেশনৰ পৰৱৰ্তী কালছোৱা আমাৰ ৰাজ্যখনৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ আৰু এক উজ্বল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰে আশিসপুষ্ট এইছোৱা সময়ৰ ওপৰত আমি কৃতজ্ঞ, যি অনাগত দিনবোৰৰ বাবে আমাৰ অগ্ৰদূতৰূপে পৰিগণিত হ'ব। মাননীয় সদস্যসকল, বগীবিল দলঙৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠাতো মোৰ চৰকাৰৰ এক উল্লেখযোগ্য সফলতা। এই দলং খনে উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণক সংযোজিত

কৰিছে আৰু উত্তৰ-পূৰ অঞ্চলৰ আইন-শৃংখলাজনিত দিশটোৰ লগতে কায়িক, বিত্তীয় ক্ষেত্ৰসমূহতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হ'ব। মাননীয় সদস্যসকল, আপোনালোক নিশ্চয় একমত যে বিভিন্ন ক্ৰীড়া আৰু অন্যান্য ক্ষেত্ৰত ৰাজ্যখনৰ নৱপ্ৰজন্মৰ অংশগ্ৰহণ তথা তেওঁলোকৰ উন্নত প্ৰদৰ্শনে এই ক্ষেত্ৰত থকা অসমৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ কথাকে প্ৰতিপন্ন কৰে। ক্ৰীড়াক্ষেত্ৰত হিমা দাস আৰু চলচ্চিত্ৰৰ ক্ষেত্ৰত অস্কাৰ জয়ৰ বাবে যোৱা ৰীমা দাসৰ লেখীয়া অন্যান্যসকলে আমাৰ ৰাজ্যখনলৈ কঢ়িয়াই অনা সুনাম হৈছে ৰাজ্যখনৰ জনসাধাৰণে এই ক্ষেত্ৰত লাভ কৰা উল্লেখযোগ্য সফলতাৰ উৎকৃষ্ট উদাহৰণ। আমি তেওঁলোকৰ প্ৰচেষ্টা আৰু সফলতাৰ শলাগ লৈছো। সম্ভাব্য সকলো দিশতে ক্ৰীড়াৰ সা-সুবিধা প্ৰদানৰ জৰিয়তে অসমক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে গঢ়ি তুলিবলৈ মোৰ চৰকাৰ আগ্ৰহী।

বন সংৰক্ষণ আৰু সেউজীয়া পৰিৱেশ সুৰক্ষাৰ বাবে আৰ্ন্তঃৰাষ্ট্ৰীয়ভাৱে খ্যাতি লাভ কৰা ধেমাজিৰ পদ্মশ্ৰী যাদৱ পায়েঙক ২০১৮ চনৰ ডিচেম্বৰ মাহত আন্তঃৰাষ্ট্ৰীয় ইউ এছ টি এম সামাজিক কৰ্ম উৎকৰ্ষতাৰ বঁটা (International USTM Social Work excellence Award) ৰে পুৰস্কৃত কৰা হয়। ই হৈছে ৰাজ্যখনলৈ কঢ়িয়াই অনা আন এক সুনাম।

'সবকা সাথ সবকা বিকাশ' নীতিৰ আধাৰত ভৱিষ্য দৰ্শন আৰু মূল্যবোধ হৈছে মোৰ চৰকাৰৰ চালিকা শক্তি। এই কথা মনত ৰাখি অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়ামৰ জনসাধাৰণৰ মাজত ভাতৃত্ববোধ শক্তিশালী কৰাৰ অৰ্থে মোৰ চৰকাৰে অসমক দুৰ্নীতিমুক্ত, অবৈধ অনুপ্ৰৱেশমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদূষণমুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ সংকল্পবদ্ধ হৈছে। অসমৰ জনসাধাৰণৰ গৌৰৱ আৰু সন্মান অটুট ৰাখিবলৈ মোৰ চৰকাৰ দৃঢ়ভাৱে প্ৰতিশ্ৰুতিবদ্ধ। এই কথা মনত ৰাখি অসমক দুৰ্নীতিমুক্ত, অবৈধ অনুপ্ৰৱেশমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু প্ৰদূষণমুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ আৰু ৰাজ্যখনৰ জনসাধাৰণৰ মাজত ভাতৃত্ববোধৰ বান্ধোন শক্তিশালী কৰিবলৈ বিগত ২ বছৰ ৮ মাহৰ সময়ছোৱাত চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

মাননীয় সদস্যসকল, মই এতিয়া আপোনালোকৰ আগত মোৰ চৰকাৰৰ বিভিন্ন নীতি আৰু কাৰ্যসূচীসমূহ দাঙি ধৰিব বিচাৰিছো। মই নিশ্চিত যে আমাৰ সামূহিক প্ৰচেষ্টাই এই নীতি আৰু কাৰ্যসূচীসমূহ সফল কৰি তুলিব। এই ক্ষেত্ৰত মোৰ চৰকাৰৰ কেতবোৰ গুৰুত্বপূৰ্ণ কাম-কাজ আৰু অগ্ৰাধিকাৰৰ বিষয় সম্পৰ্কে তলত উল্লেখ কৰিলো।

**প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ঃ**

বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাৰ কৰ্মচাৰীৰ সামৰ্থ বৃদ্ধিৰ উদ্দেশ্যে মোৰ চৰকাৰে ৰাজ্যিক প্ৰশিক্ষণ নীতি যুগুত কৰিছে। ৰাজ্যৰ অসামৰিক সেৱাৰ বিষয়াসকলৰ বাবে এখন বিশ্বমানৰ প্ৰশিক্ষণ একাডেমী স্থাপন কৰিবলৈ ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদে উমৰাংছু হ্ৰদৰ পাৰত ১০০০ বিঘা ভূমি আবন্টন দিছে। মাজুলীত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে প্ৰশিক্ষণ প্ৰতিষ্ঠান নিৰ্মাণৰ নিৰ্দেশ দিয়া হৈছে আৰু শিলচৰ, বঙাইগাঁও আৰু গুৱাহাটীত প্ৰশিক্ষণ প্ৰতিষ্ঠান নিৰ্মাণৰ বাবে নিবিদা আহ্বান কৰি জাননী জাৰি কৰা হৈছে। অসম অসামৰিক সেৱাৰ বিষয়াসকলৰ বাবে প্ৰস্তুত কৰা প্ৰশিক্ষণ নীতিত কেবিনেটে অনুমোদন জনাইছে। এই নীতিৰ লক্ষ্য হৈছে অসম অসামৰিক সেৱাৰ বিষয়াসকললৈ সুশৃংখলভাৱে অবিৰত প্ৰশিক্ষণ প্ৰদান কৰা আৰু সু-প্ৰশাসনৰ বাবে তেওঁলোকক সুদক্ষ হিচাপে গঢ়ি তোলা।

**কৃষি ঃ**

ৰাজ্যখনৰ জনবসতিৰ সৰহ ভাগৰে প্ৰধান জীৱিকা হ'ল কৃষি আৰু অসমৰ আৰ্থ-সামাজিক অৱস্থা প্ৰধানকৈ এই কৃষি উন্নয়নৰ ওপৰতেই নিৰ্ভৰশীল। ৰাজ্যখনৰ ২৯.২২ লাখ হেক্টৰ কৃষি ভূমিৰ ওপৰত ২৭.২০ লাখ কৃষক পৰিয়াল প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। ৰাজ্যখনত খাদ্য শস্য, ধান আৰু মাহজাতীয় শস্যৰ মুঠ উৎপাদন বৃদ্ধি পাইছে। ২০১৬-১৭ বৰ্ষত ধানৰ উৎপাদন ৫১, ২৭, ৪৩৫ মেট্ৰিকটনৰ বিপৰীতে ২০১৭-১৮ বৰ্ষত ধানৰ উৎপাদন আছিল

৫২,৮৩,৭১৩ মেট্ৰিকটন। অৰ্থাৎ ধানৰ উৎপাদন ৩.০৫% বৃদ্ধি পাইছে। সেইদৰে, ২০১৬-১৭ বৰ্ষত খাদ্য শস্য উৎপাদনৰ পৰিমাণ ৫৩,৫২,৫৮১ মেট্ৰিকটনৰ বিপৰীতে ২০১৭-১৮ বৰ্ষত ইয়াৰ উৎপাদন আছিল ৫৫,৫৯,৭২০ মেট্ৰিকটন। অৰ্থাৎ খাদ্য শস্য বৃদ্ধিৰ পৰিমাণ আছিল ৩.২৪%। মাহজাতীয় শস্য আৰু তৈলবীজৰ উৎপাদন বৃদ্ধিৰ বাবে মোৰ চৰকাৰে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ অধীনত ৰাজ্যখনত মাহজাতীয় শস্যৰ খেতি কৰা অঞ্চলৰ সম্প্ৰসাৰণ আৰু ছন পৰা অঞ্চলসমূহক শালিধানৰ খেতিৰে সামৰি ল'বলৈ ব্যাপক আঁচনি হাতত লৈছে। ২০১৬-১৭ বৰ্ষত মাহজাতীয় শস্যৰ উৎপাদন ১,০৭,৫৪১ মেট্ৰিকটনৰ বিপৰীতে ২০১৭-১৮ বৰ্ষত ইয়াৰ পৰিমাণ ১,১৫,৭৬০ মেট্ৰিকটনলৈ বৃদ্ধি পাইছে। অৰ্থাৎ যোৱা বৰ্ষতকৈ ৭.৬৪ % বৃদ্ধি হৈছে।

মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনাৰ অধীনত মোৰ চৰকাৰে লঘুজাতীয় কৃষি সম্বন্ধীয় সঁজুলি ক্ৰয়ৰ বাবে প্ৰতিজন কৃষকক ৫০০০ টকাকৈ সহায় আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত মুঠ ৫ লাখ কৃষকক সামৰি লোৱা হ'ব। মুখ্য মন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত প্ৰতিখন ৰাজহ গাঁৱত এখনকৈ মুঠ ২৬,০০০ খন ট্ৰেক্টৰৰ বিতৰণ কৰাৰ পৰিকল্পনা কৰা হৈছে। সেই অনুসৰি প্ৰথম পৰ্যায়ত প্ৰায় ৬৩০০ খন ট্ৰেক্টৰ ইতিমধ্যে বিতৰণ কৰা হৈছে।

মোৰ চৰকাৰে উত্তৰ পূৰ্বাঞ্চল আৰু হিমালয়ৰ পাদদেশত থকা ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান, ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, প্ৰধান মন্ত্ৰীৰ কৃষি সিচাঁই যোজনা আদিৰ লেখীয়া কেন্দ্ৰীয় খণ্ডৰ আঁচনিসমূহৰ সহায়ত উদ্যান শস্যৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ "প্ৰতি টোপালত অধিক শস্য আঁচনি"ৰ অধীনত ড্ৰিপ আৰু মাইক্ৰো স্প্ৰিস্কলাৰ্চ (Drip and micro sprinklers) ৰে গঠিত ক্ষুদ্ৰ জলসিঞ্চন ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। ৰাজ্যখনত কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি "প্ৰধানমন্ত্ৰী কৃষি সিচাঁই যোজনা"ৰ ৰূপায়ণৰ কাম চলি

আছে আৰু ২০১৭-১৮ বৰ্ষত বিভিন্ন উদ্যানশস্য জাতীয় শস্যৰ খেতি কৰা ৭৮২ হেক্টৰ ভূমি ড্ৰিপ (Drip) জলসিঞ্চনেৰে সামৰি লোৱা হৈছে।

উদ্যান শস্য খণ্ডৰ Assam Agri-Business and Rural Transformation Project ৰ অধীনত কিছুমান নিৰ্বাচিত শাক-পাচলি, ফল-মূল আৰু আলুৰ জলবায়ু অনকূল প্ৰযুক্তিৰ প্ৰৱৰ্তন আৰু কৃষি-উদ্যান শস্য উদ্যমিতাৰ বিকাশৰ বাবে এইবোৰ উদ্যান শস্য জাতীয় সামগ্ৰীৰ মূল্য সংযোজনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। উদ্যান শস্য খণ্ডৰ যান্ত্ৰিকীকৰণো এই প্ৰকল্পৰ আন এক লক্ষ্য।

**পশুপালন আৰু পশু চিকিৎসা ঃ**

স্বনিয়োজন সৃষ্টিৰ ক্ষেত্ৰত পশুপালন আৰু দুগ্ধ খণ্ডই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। মাংস, গাখীৰ, কণী আৰু অন্যান্য পশুৰ পৰা উৎপাদিত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত অসম আত্মনিৰ্ভৰশীল হৈ উঠা নাই। এই সামগ্ৰী সমূহৰ বৃহৎ পৰিমাণ অন্যান্য ৰাজ্যসমূহৰ পৰা আমদানি কৰি থকা হৈছে। ৰাজ্যখনত এইবোৰ খণ্ডৰ উন্নয়নৰ বাবে প্ৰচুৰ সম্ভাৱনীয়তা থকা সত্বেও এইটো হবলৈ পাইছে। পশু পালন আৰু দুগ্ধ খণ্ডৰ এই সম্ভাৱনীয়তা উপলব্ধি কৰি মোৰ চৰকাৰে এই খণ্ডৰ উন্নয়নৰ বাবে বাজেটত পৰ্যাপ্ত ব্যৱস্থা ৰাখিছে।

মোৰ চৰকাৰে এই বিভাগটোৰ এক ভৱিষ্যত কৰ্মপন্থা তথা ভিজন ডকুমেন্ট প্ৰস্তুত কৰিছে। ৰাজ্যখনত ব্যাপকভাৱে গৰুৰ ভৰি আৰু মুখত হোৱা ৰোগৰ টীকাকৰণ আৰু ছাগলীৰ বাবে পি পি আৰ টীকাকৰণ কাৰ্য সম্পূৰ্ণ কৰা হৈছে। সমগ্ৰ ৰাজ্যখনতে পশুধনৰ বীমাকৰণৰ কাম হাতত লোৱা হৈছে। এফ এম ডি, ক্লাচিকেল চোৱা ফিভাৰ আৰু পি পি আৰৰ পৰা ৰাজ্যখনক মুক্ত কৰাৰ অৰ্থে ব্যাপক টীকাকৰণ আঁচনি আৰম্ভ কৰিবলৈ বিভাগে পৰিকল্পনা গ্ৰহণ কৰিছে। নতুন উদ্যোগীসকলৰ সুবিধাৰ অৰ্থে প্ৰতিখন চৰকাৰী পশুধন আৰু হাঁহ-কুকুৰা পামত প্ৰদৰ্শনীমূলক গোট স্থাপনৰ পৰিকল্পনা কৰা হৈছে। দুগ্ধ উৎপাদকসকলৰ মাজত

পশু খাদ্যৰ বীজ, গাহৰি পালকসকলৰ মাজত ৩০টা এফ পি অ' গঠন আৰু পশুধন তথা হাঁহ কুকুৰা পালক সকলৰ সহায়ৰ অৰ্থে mini ill feed plant স্থাপন কৰিবলৈও বিভাগে পৰিকল্পনা কৰিছে। বিভাগটোৱে ৰাষ্ট্ৰীয় গোকুল অভিযানো ৰূপায়ণ কৰিব। দুগ্ধ উন্নয়নৰ অধীনত বৰ্তমানে থকা ৩১২খন দুগ্ধ সমবায় সমিতিৰ উপৰিও অসমৰ দুগ্ধ উন্নয়ন বিভাগে ২০১৮-১৯ বৰ্ষত ২১ খন জিলাত মুঠ ৩৫৩.৬১-ৰ লাখ টকা ব্যয়ৰে আৰু ২০০ খন দুগ্ধ উন্নয়ন সমিতি গঠন কৰিছে।

**অসম চুক্তি ঃ**

অসম চুক্তিৰ ক্ষিপ্ৰ আৰু ফলপ্ৰসূ ৰূপায়ণৰ বাবে মোৰ চৰকাৰে বহুতো পদক্ষেপ হাতত লৈছে। সেইবোৰ হ'ল- সীমান্তৰ কাঁটা তাৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সীমান্ত ছীল কৰা সম্পৰ্কে বুজ লবলৈ পোন প্ৰথমবাৰৰ বাবে মুখ্য মন্ত্ৰীৰ দ্বাৰা ভাৰত বাংলাদেশ সীমান্ত পৰিদৰ্শন আৰু অসম আন্দোলনত শ্বহীদ হোৱা ব্যক্তিসকলৰ প্ৰতিটো পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন সাহায্য প্ৰদান। অসম আন্দোলনত বন্দুকৰ গুলীৰ দ্বাৰা আঘাতপ্ৰাপ্ত তথা গুৰুতৰ ভাৱে আহত হোৱা ব্যক্তি আৰু ধৰ্ষণৰ বলি হোৱা মহিলালৈ ২ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ (মহানগৰ) জিলাৰ অধীনত পশ্চিম বৰাগাঁৱত শ্বহীদ স্মাৰক আৰু উদ্যান স্থাপনৰ কাম ৯৮ বিঘা ১ কঠা ১৩ লেচা আবন্টিত ভূমিত আৰম্ভ কৰা হৈছে।

শ্বহীদৰ পৰিয়াললৈ এককালীন অনুদান প্ৰদান প্ৰক্ৰিয়াৰ লগত সংগতি ৰাখি মোৰ চৰকাৰে ২০১৮ চনৰ ২৫ ডিচেম্বৰত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ দ্বাৰা বগীবিলত ৰে'ল তথা পথ দলঙৰ উদ্বোধন কৰিছে। অসম চুক্তি ৰূপায়ণৰ দিশত এক মাইলৰ খুঁটি। ই হৈছে অসম চুক্তি ৰূপায়ণ সম্পৰ্কে ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত অনুষ্ঠিত হোৱা ত্ৰি-পাক্ষিক বৈঠকৰ সুফল।

ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত ভাৰতৰ মহাপঞ্জীয়ক, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে যুটীয়াভাৱে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম কৰি আছে। এই গুৰুত্বপূৰ্ণ নথি প্ৰস্তুতিৰ কামত অবিৰত সহায় আগবঢ়োৱাৰ বাবে মই এই সুযোগতে অসমৰ জনসাধাৰণলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম সম্পূৰ্ণ হ'লে ই অসমক বিদেশীৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত শক্তিশালী ৰক্ষা কবচ হিচাপে কাম কৰিব।

**সীমান্ত সুৰক্ষা আৰু উন্নয়ন ঃ**

চৰকাৰে অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু পশ্চিমবংগৰ লেখীয়া ওচৰ চুবুৰীয়া ৰাজ্য কেইখনৰ সৈতে সৌহাৰ্দপূৰ্ণ সম্পৰ্ক স্থাপন কৰিবলৈ সকলো প্ৰয়োজনীয় পদক্ষেপ হাতত লৈছে। অসমৰ সৈতে এই ৰাজ্যকেইখনৰ ২৭৪৩ কি.মি. দৈৰ্ঘৰ সীমা জড়িত। আনহাতে ভূটান আৰু বাংলাদেশৰ সৈতে থকা আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাৰ বাবে জনসাধাৰণৰ বিশেষ প্ৰয়োজনীয়তাসমূহ দূৰ কৰিবলৈ আৰু উন্নয়নী কাম-কাজৰ ক্ষেত্ৰত থকা গুৰুত্বপূৰ্ণ ব্যৱধানসমূহ পূৰণ কৰিবলৈ BADP(CSS)- ৰ অধীনত উন্নয়নমূলক আঁচনি হাতত লোৱা হৈছে।

সীমান্তৱৰ্তী জিলাসমূহৰ সুৰক্ষা আৰু উন্নয়নৰ কথা মনত ৰাখি এই জিলাসমূহক উপযুক্ত পথ যোগাযোগ ব্যৱস্থাৰে সংযোগ কৰিবলৈ উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। অসমৰ আন্তঃৰাজ্যিক সীমান্ত অঞ্চলত স্থাপন কৰিবলগীয়া অনুমোদিত ৩৪ টা সীমান্ত আৰক্ষী চকী (BOP) ৰ ভিতৰৰ ২৮ টাত প্ৰশাসনীয় অনুমোদন তথা বিত্তীয় মঞ্জুৰী প্ৰদান কৰা হৈছে। সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগে অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাত "আদৰ্শ গাঁও (Model Village) আৰু 'সীমান্ত জ্ঞান আহৰণ আঁচনি" নামৰ দুখন নতুন আঁচনি আৰম্ভ কৰিছে। আঠখন গাঁৱক আদৰ্শ গাঁৱলৈ উন্নত কৰিবলৈ চিনাক্ত কৰা হৈছে।

করিমগঞ্জ নগৰ এলেকাত ৪.৩৫ কি.মি. কাঁটা তাৰৰ বেৰ নথকা ভাৰত-বাংলাদেশ সীমান্তৰ বিষয়টো ভাৰত চৰকাৰে ক্ষিপ্ৰ সমাধানৰ অৰ্থে বাংলাদেশ চৰকাৰৰ লগত আলোচনা কৰিছে। ভাৰতৰ সীমা সীমান্তৰ অসুৰক্ষিত অংশ নিৰ্দ্ধাৰিত সময়ত ছীল কৰাৰ বাবে কাম চলি আছে। ইয়াৰ ফলস্বৰূপে ভূমি অংশত আবয়বিক প্ৰাচীৰ আৰু জলস্তৰত প্ৰযুক্তিগত প্ৰাচীৰ নিৰ্মাণৰ কাম অতি দ্ৰুত গতিৰে সম্পন্ন হৈ আছে। এবাৰ সীমান্ত ছীল হোৱাৰ পাছত দেশলৈ অবৈধ প্ৰব্ৰজন বন্ধ হ'ব।

ভাৰত-ভূটান আন্তঃৰাষ্ট্ৰীয় সীমান্তত কোকৰাঝাৰ জিলাৰ জামদুৱাৰৰ পৰা ওদালগুৰি জিলাৰ চিকাৰীদঙ্গালৈ ৩০০.০০ কিঃমিঃ দৈৰ্ঘ্যৰ সীমান্ত পথৰ নিৰ্মাণ কাৰ্য গড়কাপ্তানি (এন এইছ) বিভাগৰ অধীনত চলি আছে। ১৫০০.০০ লাখ টকা ব্যয় সাপেক্ষে বি এ ডি পি ৰ অধীনত নিৰ্মীয়মান ওদালগুৰি-ভৈৰৱকুণ্ড পথৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। ভাৰত-ভূটান সীমান্তৰ অসমৰ অংশত থকা সৰ্বমুঠ ৯১৮ টা বৰ্ডাৰ পীলাৰৰ ২২১ টাৰ মেৰামতি/পুনৰনিৰ্মাণ কৰা হৈছে।

**মুখ্যমন্ত্ৰীৰ সচিবালয় ঃ**

**মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি**

ব্যয়বহুল চিকিৎসা সেৱাৰ প্ৰয়োজন হোৱা ৰোগীসকললৈ, বৃদ্ধবয়সত অৰ্থনৈতিক দুৰৱস্থাৰ সন্মুখীন হোৱা লোক, অন্যধৰণে সক্ষম লোক আৰু বানপানীৰ লেখীয়া প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা আক্ৰান্ত লোকসকললৈ মোৰ চৰকাৰে বিত্তীয় সাহায্য আগবঢ়াই আহিছে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ অধীনত ২০১৬ চনৰ মে' মাহৰ পৰা ২০১৮ চনৰ ডিচেম্বৰ মাহলৈ বৰ্তমান চৰকাৰৰ কাৰ্যকালত ১৬৯২১গৰাকী হিতাধিকাৰীলৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে।

**মাই গ'ভ আসাম (My Gov. Assam) ঃ**

আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত My Gov. in initiative ক্ষিপ্ৰতাৰে গ্ৰহণ কৰাৰ ক্ষেত্ৰত অসম হৈছে দেশৰ ভিতৰত তৃতীয়খন ৰাজ্য। উল্লেখযোগ্য যে ২০১৪ চনত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ইয়াৰ আৰম্ভণি কৰিছিল। এতিয়া My Gov. Assam হৈছে এক অতি জনপ্ৰিয় সামাজিক মাধ্যমৰ মঞ্চ। ই বিভিন্ন চৰকাৰী আঁচনি জনপ্ৰিয় কৰি তুলিছে আৰু গুৰুত্বপূৰ্ণ সামাজিক বিষয়সমূহৰ ওপৰত সজাগতাৰ সৃষ্টি কৰিছে। বিভিন্ন ক্ষেত্ৰৰ বৃত্তিজীৱী লোকসকলক লৈ গঠিত My Gov. Assam য়ে অনলাইনযোগে বিভিন্ন চৰকাৰী আঁচনি আৰু পদক্ষেপসমূহ প্ৰচাৰৰ জৰিয়তে চৰকাৰী বাৰ্তাসমূহ আন্তৰিকতাৰে জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত নিয়োজিত হৈ আছে। এই পৰ্টেলৰ জৰিয়তে বিভিন্ন আঁচনি প্ৰচাৰ কৰাৰ উপৰি ইয়াৰ দ্বাৰা বিভিন্ন গুৰুত্বপূৰ্ণ সামাজিক বিষয়ৰ ওপৰত প্ৰচাৰ চলাই থকা হৈছে আৰু অনলাইন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অসমৰ ৩৩ খন জিলাত আৰম্ভ কৰা Clean and Green Village Campaign হৈছে My Gov Assam য়ে হাতত লোৱা আউটৰিট্‌চ প্ৰগ্ৰেমৰ অন্যতম এক কাৰ্যসূচী।

**সমবায় ঃ**

সমবায়ৰ জৰিয়তে মহিলা সবলীকৰণৰ অৰ্থে মোৰ চৰকাৰে মহিলাৰ উদ্দেশ্যমুখী সমবায় সমিতিৰ বাবে 'সমন্বিত মহিলা সমবায় বিপনী' নামৰ এখন আঁচনি হাতত লৈছে। এই আঁচনিখনৰ জৰিয়তে বিত্তীয় প্ৰতিষ্ঠানৰ পৰা PDS/ TPDS-ৰ অধীনত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অন্তৰ্গত সামগ্ৰীৰ সৈতে ৰাজহুৱা বিতৰণ ব্যৱস্থা বহিৰ্ভূত সামগ্ৰীৰ বাবে ৰাজসাহায্য প্ৰাপ্ত ঋণ প্ৰদান কৰা হৈছে।

তদুপৰি, মোৰ চৰকাৰে ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগমৰ জৰিয়তে অসমত Whole State Integrated Cooperative Development Project (ICDP) ৰূপায়ণৰ সিদ্ধান্ত লৈছে। এই প্ৰকল্পৰ বাবে ৰাষ্ট্ৰীয় সমবায় উন্নয়ন

নিগমে ৬০০০ কোটি টকা ধাৰ্য কৰিছে আৰু Laxanawrao Inamdar National Academy of Cooperative Research and Development (LINAC) ক নিয়োজিত কৰি বিতং প্ৰথম প্ৰকল্প প্ৰতিবেদন প্ৰস্তুতি, প্ৰশিক্ষণ ইত্যাদিৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে।

গ্ৰাম্য ভঁৰালৰ সক্ষমতা বৃদ্ধিৰ অৰ্থে নাবাৰ্ডৰ পৃষ্ঠপোষকতাত RIDF আঁচনিৰ অধীনত লক্ষ্য নিৰ্ধাৰিত ২৪৪ টা গ্ৰাম্য ভঁৰালৰ বিপৰীতে এতিয়ালৈকে ২২২ টা গ্ৰাম্য ভঁৰাল নিৰ্মাণ কৰা হৈছে।

**সাংস্কৃতিক পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে ৰাজ্যখনৰ পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিস্তম্ভসমূহৰ সুৰক্ষা, সংৰক্ষণ তথা উন্নয়নৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। সেই অনুসৰি সাংস্কৃতিক সঞ্চালকালয়ে ১২৭ খন পুৰাতাত্ত্বিক স্থান আৰু কীৰ্তিস্তম্ভ সংৰক্ষণ কৰিছে। ইয়াৰে কেইখনমান পুৰাতাত্ত্বিক স্থান ইতিমধ্যে পৰ্যটনস্থলী হিচাপে গঢ়ি তোলা হৈছে।

পুৰাতত্ত্ব সঞ্চালকালয়, অসমে ১৫০ লাখ টকাৰ ব্যয়ত তিনিখন ঐতিহ্যপূৰ্ণ আৰক্ষী থানা, যেনে-চতিয়া, গহপুৰ আৰু ঢেকীয়াজুলি আৰক্ষী থানাৰ উন্নীতকৰণৰ কাম হাতত লৈছে।

মোৰ চৰকাৰে কামৰূপ জিলাৰ মদন কামদেৱ পুৰাতত্ত্ব স্থান আৰু হোজাই জিলাৰ শঙ্খাদেৱী পুৰাতত্ত্ব স্থানক উন্নীতকৰণৰ প্ৰস্তাৱ লৈছে আৰু লগতে চৰাইদেউ পুৰাতত্ত্ব স্থানক বিশ্ব ঐতিহ্য স্থান হিচাপে ঘোষণা কৰাৰ প্ৰস্তাৱ হাতত লৈছে।

**প্ৰাথমিক শিক্ষা ঃ**

মোৰ চৰকাৰে ৰাজ্যখনত প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰি তুলিবলৈ বহুতো পদক্ষেপ হাতত লৈছে। প্ৰাথমিক শিক্ষা বিভাগে মধ্যাহ্ন ভোজন আৰু সৰ্বশিক্ষা অভিযান নামৰ দুখন ধ্বজাবাহী আঁচনি ৰূপায়ণ কৰি আছে। মোৰ চৰকাৰে প্ৰতিটো শৈক্ষিক বৰ্ষতে সকলো ছাত্ৰী, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু দাৰিদ্ৰ সীমাৰেখাৰ অধীনৰ ছাত্ৰসকললৈ বিনামূলীয়া পাঠ্যপুথি

যোগান ধৰি আছে। প্ৰাথমিক শিক্ষাৰ অধীনত ২০১৯ শৈক্ষিক বৰ্ষত চৰকাৰী/প্ৰাদেশীকৃত বিদ্যালয়সমূহৰ ৪৮,৬৬,৭০৩ গৰাকী শিক্ষাৰ্থীলৈ বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰা হ'ব।

মোৰ চৰকাৰে বিগত ২০১৬-১৭ বৰ্ষত ৩৩,৫০৯ গৰাকী শিক্ষাৰ্থীলৈ মেধাবৃত্তি আগবঢ়াইছে আৰু ২০১৬ চনৰ জুন মাহৰ পৰা ২০১৭ চনৰ জুলাই মাহলৈ এই সময়ছোৱাত এল পি আৰু এম ই স্কুলসমূহত নিয়মীয়া ভিত্তিত ১৩,০২৩ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক নিযুক্তি দিছে। প্ৰাথমিক শিক্ষাৰ অধীনত সু-প্ৰশাসন আৰু গুণগত শিক্ষাৰ বাবে ১৮৮৫ খন নিম্ন প্ৰাথমিক বিদ্যালয়ক উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সৈতে সংলগ্ন কৰা হৈছে, ১২৬৭ খন নিম্ন প্ৰাথমিক বিদ্যালয়ক নিকটবৰ্ত্তী নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সৈতে সংলগ্ন কৰা হৈছে আৰু ২৮৩৭ খন নিম্ন/উচ্চ প্ৰাথমিক বিদ্যালয়ক উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সৈতে সংলগ্ন কৰি দিয়া হৈছে।

দ্বিতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে ৩৫,৯৪,৮০৩ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি ৰাজ্যখনৰ ৩৩ খন জিলাত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত কৰা হৈছে। মোৰ চৰকাৰে SCERT সঞ্চালকালয়, অসমৰ অধীনত কাৰ্বিআংলং (পশ্চিম), বঙাইগাঁও, বাক্‌চা, নলবাৰী, কামৰূপ(গ্ৰাম্য), মৰিগাওঁ, শিৱসাগৰ, বিশ্বনাথ, উত্তৰ লক্ষীমপুৰ আৰু ডিমা হাচাও জিলাত ১০ খন চৰকাৰী বি এড্ মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মোৰ চৰকাৰে বৃত্তিগতভাৱে অৰ্হতাসম্পন্ন সম্ভাৱনাময় শিক্ষক সৃষ্টিৰ বাবে ৰাজ্যখনৰ NCTE ৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত শিক্ষক শৈক্ষিক প্ৰতিষ্ঠানত প্ৰাথমিক শিক্ষা পাঠ্যক্ৰম (Pre Service Teacher Education)-ৰ দুবছৰীয়া পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিছে।

**পৰিৱেশ আৰু বন ঃ**

বন বিভাগৰ চোৰাং চিকাৰ বিৰোধী আন্তঃগাঁথনিত সৱল সশস্ত্ৰ প্ৰতিৰোধ ব্যৱস্থা প্ৰদান কৰাৰ অৰ্থে গঁড় সুৰক্ষা বাহিনী নামৰ এক বিশেষ বাহিনী গঠন কৰা

হৈছে। এই বাহিনীটোৰ বাবে ১১ জুলাই, ২০১৮ তাৰিখে ৯০ গৰাকী কনিষ্টবল মকৰল কৰা হৈছে। অত্যাধুনিক মৰণাস্ত্ৰ ক্ৰয় কৰা হৈছে আৰু পৰ্যাপ্ত পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ অস্ত্ৰ নিৰ্মাণ কাৰখানাৰ পৰা বিচৰা হৈছে। একে সময়তে, বিশ্বনাথ চাৰিআলিক মুখ্য কাৰ্যালয় হিচাপে লৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অধীনত বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডল গঠন কৰা হৈছে। ইয়াৰ দ্বাৰা ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰত চোৰাং চিকাৰ বিৰোধী পদক্ষেপসমূহ তথা মানৱবিহীন যান অৰ্থাৎ 'ড্ৰোণ' ব্যৱহাৰক একত্ৰীকৰণ কৰিবলৈ বিচৰা হৈছে। বানৰ সময়ত বন্যপ্ৰাণীৰ জীৱন ৰক্ষা কৰাৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ৪৩ টা ওখ ঢাপ নিৰ্মাণ কৰা হৈছে।

ডিগবৈ আৰু মানহত ইন্টাৰপ্ৰিটেছন কেন্দ্ৰ তথা বন সংগ্ৰহালয় স্থাপনৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰ বাবে ব্যয় হ'ব লগা ধনৰ পৰিমাণ হৈছে ৪২ কোটি টকা।

**আবকাৰী ঃ**

বিগত ২০১৭-১৮ বিত্তীয় বৰ্ষত আবকাৰী বিভাগে ১,১১৭.৬৫ কোটি টকা ৰাজহ সংগ্ৰহ কৰিছিল। ই হৈছে পূৰ্বৱৰ্তী বছৰটোৰ তুলনাত ১৫১.৩২ কোটি টকা অধিক। চলিত বিত্তীয় বৰ্ষত নৱেম্বৰ, ২০১৮ লৈ বিভাগে সংগ্ৰহ কৰা ৰাজহ বৃদ্ধিৰ হাৰ বিগত বৰ্ষৰ একে সময়ছোৱাৰ তুলনাত ৩২% (মোটামোটি হিচাপত)।

মোৰ চৰকাৰে সুৰাৰ বটলত হল'গ্ৰাফিক লেবেল সন্নিবিষ্ট বাৰক'ড প্ৰৱৰ্তনৰ বাবে পদক্ষেপ হাতত লৈছে। ইয়াৰ দ্বাৰা সুৰাৰ বটল বিচাৰি উলিওৱাত আৰু আবকাৰী ৰাজহ ফাঁকি দিয়াটো বন্ধ কৰাত সহায় কৰিব।

**বিত্ত ঃ**

বিত্ত বিভাগে ৰাজ্যখনৰ বাবে বৃহৎ পৰিমাণৰ কৰ ৰাজহ সংগ্ৰহৰ জৰিয়তে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। বাণিজ্যিক কৰ বিভাগে অকলেই ৰাজ্যখনৰ নিজা কৰ ৰাজহৰ ৮০ শতাংশতকৈ অধিক বৰঙণি আগবঢ়াইছে।

বিগত ২০১৭-১৮ বৰ্ষত কৰ বিভাগে ১২০৫৫.৮৭ কোটি টকা সংগ্ৰহ কৰিছে, যিটো পূৰ্ববৰ্ত্তী বৰ্ষৰ ১০২৯৩.৭৫ কোটি টকাতকৈ ১৭ শতাংশ অধিক। বিভাগে চলিত বিত্তীয় বৰ্ষৰ নৱেম্বৰ, ২০১৮ লৈকে ৮৯৫৫.২২ কোটি টকা সংগ্ৰহ কৰিছে।

সামগ্ৰী আৰু সেৱা কৰৰ অধীনত মোৰ চৰকাৰে লাভ কৰা কেতবোৰ সফলতা হ'ল—

এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ সামগ্ৰী কঢ়িয়াই নিয়াৰ বাবে ১ এপ্ৰিল, ২০১৮ ৰ পৰা কাৰ্যকৰী হোৱাকৈ ই-ৱে বিল প্ৰবৰ্তন কৰা হৈছে।

ৰাজ্যখনত এলেকা ভিত্তিক ঔদ্যোগিক কৰ পৰিশোধ আঁচনিৰ অধীনত ৰাজ্যৰ সামগ্ৰী আৰু সেৱা কৰৰ পৰিমাণ ঘূৰাই দিবলৈ অসমৰ উদ্যোগসমূহৰ (যোগ্য গোটসমূহৰ বাবে কৰ পৰিশোধ আঁচনি, ২০১৭) যুগুত কৰা হৈছে। ৰাজ্যখনত বিনিয়োগক আকৰ্ষণ কৰিবলৈ তথা উদগণি যোগাবলৈ এলেকা ভিত্তিক ঔদ্যোগিক আঁচনি ৰূপায়ণ কৰাৰ ক্ষেত্ৰত অসম হৈছে উত্তৰ -পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমখন ৰাজ্য। এই আঁচনিৰ অধীনত এতিয়ালৈকে যোগ্য উদ্যোগসমূহলৈ ১৭৫.৯৬ কোটি টকাৰ কৰ পৰিশোধ কৰা হৈছে।

**অসম কৰাৰোপণ (নিৰ্দিষ্ট ভূমিত) আইন, ১৯৯০ ঃ** চৰকাৰে অলপতে অসম কৰাৰোপণ (নিৰ্দিষ্ট ভূমিত) সংশোধন আইন, ২০১৮ ৰ অধীনত ক্ষুদ্ৰ চাহ খেতিয়কসকলক তেওঁলোকৰ সেউজীয়া চাহ পাতৰ ওপৰত কৰৰ বোজা ৰেহাই দিছে। সেই অনুসৰি উপান্ত আৰু ক্ষুদ্ৰ চাহ খেতিয়কসকলক চাহ খেতি আৰু ইয়াৰ প্ৰস্তুতিৰ ক্ষেত্ৰত উদ্‌গণি যোগাবলৈ ইয়াৰ কৰ ১০ পইছা ৰেহাই দিয়া হৈছে। এই পদক্ষেপে ৰাজ্যখনত নিয়োগ তথা অৰ্থনৈতিক কাম-কাজৰ বিকাশত অৰিহণা যোগাব।

তদুপৰি ৫ বছৰৰ ভিতৰত কৃষকৰ আয় দুগুণ কৰাৰ অৰ্থে মোৰ চৰকাৰে 'মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' নামৰ এক বৃহৎ অভিযান আৰম্ভ কৰিছে।

ইয়াৰ লক্ষ্য হৈছে ৫ বছৰৰ ভিতৰত ২৫৪২৫ খন গাঁৱক সামৰি লোৱা আৰু প্ৰতিখন ৰাজহ গাঁৱলৈ ১.২০ কোটি টকা হস্তান্তৰ কৰা। 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' নামৰ মেগা মিছন চ'চাইটিখনলৈ ১৭০০ কোটি টকা (২০১৬-১৭ বৰ্ষত ১৫০০ কোটি টকা আৰু ২০১৭-১৮ বৰ্ষত ২০০ কোটি টকা) মুকলি কৰি দিয়া হৈছে। সকলো নাগৰিকৰে বিত্তীয় অন্তৰ্ভুক্তি সুনিশ্চিতকৰণৰ অৰ্থে প্ৰধানমন্ত্ৰী জন ধন যোজনাৰ অধীনত ১,৩৫,৬০,৭০৪ টা একাউণ্ট খোলা হৈছে। ইয়াৰে প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনাৰ অধীনত ৯,৭৪,৭৮০ টা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত ২৫০৭৮৬৫ টা, অটল পেঞ্চন যোজনাৰ অধীনত ২৩৩৬৬৬ টা আৰু প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনাৰ অধীনত ৯৪৪৯০২ টা একাউণ্ট খোলা হৈছে।

চাহ শ্ৰমিকসকলক বেংক একাউণ্ট খুলিবলৈ উৎসাহ যোগোৱাৰ অৰ্থে বিমুদ্ৰাকৰণৰ পিছত বেংক একাউণ্ট খোলাৰ বাবে ২৫০০ টকাৰ উদ্‌গণিমূলক ধন প্ৰদানেৰে মোৰ চৰকাৰে চাহ বাগিচা ধন পুৰস্কাৰ আঁচনি আৰম্ভ কৰিছে।

মোৰ চৰকাৰে চৰকাৰী অধিসূচনা নম্বৰ FEG.32/2016/12,তাৰিখ ২১ মে, ২০১৮ মৰ্মে সকলো তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ ক্ষেত্ৰত আবেদন মাচুল ৰেহাই দিছে।

**মীন ঃ**

২০১৮-১৯ বিত্তীয় বৰ্ষত মাছৰ উৎপাদন বৃদ্ধিৰ বাবে মোৰ চৰকাৰে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। মৎস্য পালনৰ বাবে বিভিন্ন ব্যৱস্থা প্ৰদানৰ জৰিয়তে ই ১৩২ হেক্টৰ ভূমিক সামৰি লৈছে। ইয়াৰ দ্বাৰা সামৰি লোৱা বিভিন্ন পদক্ষেপসমূহ হ'ল ঃ ৫ হেক্টৰ ভূমিত ঘৰুৱা প্ৰতিপালন পুখুৰীত মৎস্য পোনা উৎপাদনৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, ১২ হেক্টৰ ভূমিত সংহত গাহৰি তথা মৎস্য পালনৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, ৭ হেক্টৰ ভূমিত নতুন পুখুৰী খন্দাৰ ব্যৱস্থা আৰু ১১ খন বিভাগীয় পামত মাছৰ পোনা উৎপাদনৰ পদক্ষেপ। ইয়াৰ উপৰিও মোৰ চৰকাৰে

সমগ্ৰ ৰাজ্যখনতে নাবাৰ্ড-আৰ আই ডি এফৰ পৰা লোৱা বিত্তীয় ঋণেৰে ১০০.১০ কোটি টকা ব্যয়ত "ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ" নামৰ এখন ধ্বজাবাহী আঁচনি ৰূপায়ণৰ কাম আৰম্ভ কৰিছে। মৎস্য পালনৰ ব্যৱস্থা তথা মৎস্য উৎপাদনৰ প্ৰশিক্ষণ মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ সৈতে সমিল মিলেৰে অনুষ্ঠিত কৰা হ'ব। অতিৰিক্তভাৱে, Blue Revolution নামৰ কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ অধীনত ২০১৭-১৮ বৰ্ষত প্ৰস্তাৱিত কাম-কাজসমূহ ২০১৮-১৯ বৰ্ষত ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। ই Group Accident Insurance-ৰ অধীনত ১,৫৭,৩২৫ গৰাকী মাছমৰীয়াৰ বীমাকৰণক সামৰি লৈছে। মোৰ চৰকাৰে গুৱাহাটীৰ গোপীনাথ বৰদলৈ পুখুৰীত মীন পৰিৱেশ পৰ্যটন উন্নয়নৰ কাম আৰু ৰহাৰ মীন মহাবিদ্যালয়ে ৰূপায়ণ কৰিবলগীয়া Gene Bank Project ৰ কাম হাতত লৈছে।

**খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে ২০১৫ বৰ্ষৰ ডিচেম্বৰৰ পৰা ৰাজ্যখনত "ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ (এন.এফ.এচ.এ.২০১৩)" ৰূপায়ণ কৰি আছে। এই ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ ৰ অধীনত ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ দুই তৃতীয়াংশ অৰ্থাৎ ২৫২১৮০০১ সংখ্যকক সামৰি লোৱা হৈছে। বৰ্তমানে অন্ত্যোদয়া অন্নযোজনাৰ পৰিয়ালসকলে প্ৰতিকেজি ৩ টকা দৰত প্ৰতিমাহে ৩৫ কেজিকৈ ৰাজসাহায্যযুক্ত চাউল আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়ালসকলে প্ৰতি কেজিত ৩ টকা দৰত প্ৰতিমাহে ৫ কেজিকৈ ৰাজসাহায্যযুক্ত চাউল পাই আছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ ৰ অধীনত অন্ত্যোদয়া অন্নযোজনা আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত পৰিয়ালভুক্ত মুঠ ২৪৮৮৩৯৬৭ গৰাকী হিতাধিকাৰী উপকৃত হৈছে।

অসম চৰকাৰে ১৩-৫-২০১৭ তাৰিখে ৰাজ্যখনত "প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা" আঁচনিখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল। সম্প্ৰতি তেল বিপণন কোম্পানীসমূহে ৰাজ্যখনৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ অধীনৰ নিৰ্বাচিত

মহিলা হিতাধিকাৰীসকলৰ মাজত ২৩২২৯৫০ টা (১২-১২-২০১৮ তাৰিখ পৰ্যন্ত) বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰিছে।

অসম চৰকাৰে ২০১৮-১৯ বৰ্ষত বজাৰ মূল্যতকৈ কম দামত ২৩ বিধ অত্যাৱশ্যকীয় সামগ্ৰী ৰাজ্যখনত বিক্ৰীৰ বাবে ১১৯ গৰাকী শিক্ষিত নিবনুৱা যুৱক-যুৱতীক "ভ্ৰাম্যমাণ আমাৰ দোকান" আঁচনিৰ অধীনত নিৰ্বাচিত কৰিছে।

**সাধাৰণ প্ৰশাসন ঃ**

মোৰ চৰকাৰে চেন্নাইত অসম ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছে আৰু ক'লকাতা, নতুন দিল্লী আৰু ভেলোৰত অতিৰিক্ত নতুন বহুমহলীয়া অসম ভৱন নিৰ্মাণৰ কাম সম্পূৰ্ণহোৱাৰ পথত। শ্বিলঙৰ অসম ভৱনৰ সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ হৈছে। হায়দৰাবাদত অসম ভৱনৰ বাবে ভূমি অধিগ্ৰহণৰ প্ৰক্ৰিয়া চলি আছে। একেদৰে পুণে, চণ্ডীগড়, কোচি, তিৰুভনন্থপুৰম, ভূপাল, জয়পুৰ, আহমদাবাদ আৰু ভূবনেশ্বৰত অসম ভৱন স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

দিশপুৰৰ জনতা ভৱনত দুইমহলীয়া পকী (G+1) শিশু যতন গৃহ নিৰ্মাণৰ কাৰণে ১৯৮.৩৫৫ লাখ টকাৰ প্ৰশাসনীয় অনুমোদন দিয়া হৈছে।মোৰ চৰকাৰে নৱগঠিত জিলাসমূহত কাৰ্যালয় গৃহ, আৱাসিক গৃহ, আৱৰ্তভৱন ইত্যাদি নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। পশ্চিম কাৰ্বিআংলং জিলাৰ হামৰেনত উপায়ুক্তৰ কাৰ্যালয় নিৰ্মাণৰ বাবে ৬৭২.২৭ লাখ টকা নিৰ্দ্ধাৰণ কৰি প্ৰশাসনীয় অনুমোদন দিয়া হৈছে।

**গুৱাহাটী উন্নয়ন বিভাগ ঃ**

গুৱাহাটীৰ নাগৰিকসকলক মুকলি স্থান উপলব্ধ কৰোৱাৰ উদ্দেশ্যৰে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে মালিগাঁৱৰ আদাবাৰীত থকা অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ চৌহদত ৮.৭৪ কোটি টকা ব্যয় সাপেক্ষে এখন নতুন উদ্যান নিৰ্মাণ কৰি আছে আৰু অহা ৩০-০৭-২০১৯ তাৰিখৰ ভিতৰত এই কাম সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

পানবজাৰৰ মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতাল চৌহদৰ সংলগ্ন বহুমহলীয়া স্বয়ংক্ৰিয় বাহন আস্থানৰ কাম ২০১৯ বৰ্ষৰ ৩০ জানুৱাৰী ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। আনহাতে গুৱাহাটী আৰু উত্তৰ গুৱাহাটী মাজৰ যাত্ৰী কঢ়িওৱা 'ৰোপৱে'ৰ কাম-কাজ চলিত বৰ্ষৰ এপ্ৰিল মাহত আৰম্ভ হোৱাৰ আশা আছে।

'মাছ ৰেপিড ট্ৰান্‌চিট চিষ্টেম'ৰ বাবে গুৱাহাটীৰ কাৰণে সম্পূৰ্ণ যাতায়ত পৰিকল্পনা (Comprehensive Mobility Paln/CMP) আৰু বিকল্প বিশ্লেষণ প্ৰতিবেদন (Alternative Analysis Report/AAR) প্ৰস্তুত কৰাৰ কাম M/S RITES লিমিটেডৰ দ্বাৰা কৰি থকা হৈছে। অহা ৫ মাহৰ ভিতৰত এই কামটো সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে।

গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডে ৬.৩ কিঃ মিঃ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰ উন্নত কৰি তুলিবলৈ সিদ্ধান্ত লৈছে। এই কামৰ বাবে ১,১৬৪.০০ কোটি টকা ব্যয় হ'ব। গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডে প্ৰকল্প জ্যোতি প্ৰথম পৰ্যায়ৰ অধীনত উপ-পথসমূহত এল ই ডি ষ্ট্ৰীট লাইটিঙৰ আৰু এল ই ডি ষ্ট্ৰট লাইটিঙৰ দৰে প্ৰকল্পসমূহো হাতত লৈছে।

**হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম ঃ**

মোৰ চৰকাৰে ৰাজ্যখনত সূতাৰ ভঁড়াল নিৰ্মাণ আঁচনিৰ অধীনত নিয়মিতভাৱে পৰ্যাপ্ত পৰিমাণৰ উন্নতমানৰ সূতা উপলব্ধ হোৱাকৈ ২৭ টা সূতাভঁড়াল স্থাপনৰ বাবে ১২১৫ লাখ টকা মঞ্জুৰ কৰি মোকলাই দিছে। ইয়াৰে ভিতৰত ২৩ খন জিলাৰ মুখ্য কাৰ্যালয়ত ২৩ টা সূতাভঁড়াল ইতিমধ্যে কাৰ্যক্ষম কৰা হৈছে আৰু বাকী থকা ৪ টা সূতাভঁড়ালৰ কাম চলি আছে। বৰ্তমানলৈকে ২৭৫০৩৩৫১ টকা মূল্যৰ মুঠ ৪৫৬৯০৩৫০ কেজি সূতা ৮১৭৫০ গৰাকী তাঁত শিপিনীক ২০% ৰাজসাহায্য হাৰত সূতাভঁড়ালৰ জৰিয়তে প্ৰদান কৰা হৈছে।

তাঁত শিপিনীসকলৰ অৰ্থনৈতিক উৎকৰ্ষৰ বাবে এই আঁচনিৰ অধীনত ১০০ টা শিপিনীৰ গোটক নতুন শাল, জেকৱাৰ্ড (Jacquasd), দক্ষতা উন্নয়ন,

কেচাঁ সামগ্ৰী, কাম কৰাৰ বাবে চালি ইত্যাদি যোগানেৰে চলিত ২০১৮-১৯ বিত্তীয় বৰ্ষত ২০০০ গৰাকী তাঁত শিপিনীক সামৰি ৫০০ লাখ প্ৰাক্কলিত পুঁজিৰে সহায় আগবঢ়োৱা বাবে প্ৰস্তাৱ কৰা হৈছে।

২০১৮-১৯ বিত্তীয় বৰ্ষত ২০০ লাখ টকা বাজেট ব্যৱস্থাপনাৰে মাজুলীৰ বৰুণ চিতাদৰ গাঁও আৰু ডিব্ৰুগড় জিলাৰ তেলীয়াপথাৰ মৰাণত তাঁতশাল আদৰ্শ গাঁও (Handloom Model Village) নামেৰে এখন নতুন আঁচনিৰ কাম হাতত লোৱা হৈছে।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ**

স্বাস্থ্যখণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত এতিয়াও যথেষ্টখিনি কৰিবলগীয়া আছে যদিও মোৰ চৰকাৰে স্বাস্থ্যখণ্ডত প্ৰতিচ্ছবি উন্নয়নৰ দিশত কঠোৰ চেষ্টা চলাই আছে।

মোৰ চৰকাৰে ৩২৬.৫৯ কোটি টকা ব্যয় সাপেক্ষে ধুবুৰী, ১৮৯ কোটি টকা ব্যয় সাপেক্ষে নগাঁও, ৩৭৮.১১ কোটি টকা ব্যয় সাপেক্ষে উত্তৰ লক্ষীমপুৰ আৰু ২৪৫.৫ কোটি টকা ব্যয় সাপেক্ষে ডিফুত ৪ খন নতুন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল স্থাপনৰ কাম চলাই আছে। এই চাৰিটা স্থানতে নিৰ্মাণ কাৰ্য পূৰ্ণ গতিত চলি আছে। অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান, ডিফুৰ শৈক্ষিক পাঠ্যক্ৰম ২০১৯-২০ বৰ্ষৰ পৰা আৰম্ভ হ'ব আৰু অন্য তিনিখনৰ ২০২০-২১ বৰ্ষৰ পৰা আৰম্ভ হ'ব।

তদুপৰি নলবাৰী, তিনিচুকীয়া আৰু কোকৰাঝাৰত আন তিনিখন নতুন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল নিৰ্মাণৰ কাম শীঘ্ৰেই আৰম্ভ কৰা হ'ব।

আন্তঃগাঁথনি উন্নয়ন, ভালেসংখ্যক উন্নত মানৰ সা-সৰঞ্জাম সংস্থাপনৰ লগতে বিশেষজ্ঞ নিযুক্তি প্ৰদানেৰে অসম চিকিৎসা মহাবিদ্যালয়সমূহক উন্নীত কৰাৰ বাবে অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। ফখৰুদ্দিন আলী আহমেদ চিকিৎসা

মহাবিদ্যালয় হাস্পতাল (FAAMCH) বৰপেটাত ইতিমধ্যে এটা 1.5 T MRI মেচিন কাৰ্যক্ষম কৰা হৈছে আৰু ৰাজ্যিক কৰ্কট ৰোগ প্ৰতিষ্ঠান গুৱাহাটীত PET-MRI, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত 1.5 T MRI মেচিন, অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত 128 Slice CT Scan মেচিন, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত 3T MRI আৰু 128 Slice CT Scan মেচিন, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত নতুন Cath Lab কে ধৰি উন্নতমানৰ সা-সৰঞ্জামসমূহ ক্ৰয় কৰি সংস্থাপন কৰা হৈছে।

২০১৮-১৯ বৰ্ষত Strengthening of Tertiary Care Scheme of NPCDCSৰ অধীনত PET-SCAN, Linear accelerator, Cobalt-60 মেচিন আৰু Brachy therapy মেচিন ইত্যাদিৰ লেখীয়া অত্যাধুনিক সা-সৰঞ্জামেৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সৈতে সংলগ্ন ২০০ খন বিছনাযুক্ত কৰ্কট ৰোগ চিকিৎসালয়ক ৰাজ্যিক কৰ্কট ৰোগ প্ৰতিষ্ঠান হিচাপে উন্নীত কৰা হৈছে। ইয়াৰ বাবে ১১৯.৯০ কোটি টকা সাহায্য অনুদান হিচাপে আগবঢ়োৱা হৈছে। ইয়াৰ উপৰিও সমগ্ৰ ৰাজ্যতে কৰ্কট ৰোগৰ যতন/চিকিৎসা ব্যৱস্থাৰ প্ৰসাৰৰ বাবে অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ সৈতে হোৱা বুজাবুজিৰ চুক্তি অনুসৰি ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান গুৱাহাটীৰ সহযোগত প্ৰথম স্তৰৰ কেন্দ্ৰ হিচাপে ১৯ খন কৰ্কট ৰোগ হাস্পতাল স্থাপনৰ প্ৰাথমিক কাম-কাজ ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু অন্যান্য চিকিৎসা মহাবিদ্যালয়সমূহত পাঁচখন কৰ্কট ৰোগ হাস্পতালক দ্বিতীয় স্তৰৰ কেন্দ্ৰ হিচাপে চিহ্নিত কৰা হৈছে।

২০১৮ বৰ্ষত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত ৩৪৫ গৰাকী চিকিৎসকক নিযুক্তি দিয়া হৈছিল আৰু ৰাজ্যখনৰ নতুনকৈ স্থাপন কৰা আদৰ্শ চিকিৎসালয়সমূহ আৰু বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠানসমূহত ১৪৪৯ গৰাকী নাৰ্ছ আৰু পেৰামেডিককো নিযুক্তি দিয়া হৈছিল।

TNETF আঁচনিৰ অধীনত আন্তঃগাঁথনি উন্নয়ন আৰু উন্নত মানৰ আয়ুষ (AYUSH) শিক্ষা প্ৰদানৰ বাবে আৰু মানসম্পন্ন আয়ুষ চিকিৎসক গঢ়ি তুলিবলৈ অসম চৰকাৰে ২ বছৰৰ কাৰণে ৩ খন হোমিওপেথিক চিকিৎসা মহাবিদ্যালয়ৰ প্ৰত্যেকখনকে ২ কোটি টকাকৈ আবন্টন দিছে তথা ৩ বছৰৰ কাৰণে চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ক ১০ কোটি টকা আবন্টন দিছে।

ৰাজ্যখনৰ চাহ জনগোষ্ঠীয় লোকৰ স্বাস্থ্য সেৱাৰ ব্যৱস্থা উন্নয়নৰ কাৰণে মোৰ চৰকাৰে বিভিন্ন কাৰ্যপন্থা ৰূপায়ণ কৰিছে। স্বাধীনতাৰ ৭০ বছৰ পিছতো প্ৰাথমিক স্বাস্থ্য সেৱাৰ পৰা বঞ্চিত হৈ থকা চাহ বাগিচা অঞ্চলৰ লোকসকলক ২০ জুন, ২০১৮ তাৰিখত ৮০ টা উৎসৰ্গিকৃত ভ্ৰাম্যমান চিকিৎসা গোটৰ দ্বাৰা বিনামূলীয়া ঔষধ আৰু ৰোগ নিৰ্ণয়ৰ সুবিধা প্ৰদানেৰে ব্যাপক প্ৰাথমিক স্বাস্থ্য সেৱাৰ সুবিধা আৰম্ভ কৰা হৈছিল। মোৰ চৰকাৰে সাধাৰণ অসংক্ৰমিত ৰোগৰ পৰীক্ষাকে ধৰি আয়ুষ্মান ভাৰতৰ অধীনত ব্যাপক প্ৰাথমিক স্বাস্থ্য সেৱাৰ বাবে ১২ টা পেকেজ প্ৰদান কৰিবলৈ ১,০০০ টা Health and Wellness Centres কাৰ্যক্ষম কৰাৰ প্ৰক্ৰিয়া চলাই আছে। মোৰ চৰকাৰে ২০১৮-১৯ বৰ্ষৰ ২০১৮ ৰ ডিচেম্বৰ মাহলৈকে ৯০.৩% টীকাকৰণৰ ব্যৱস্থা সামৰি লৈছে।

চলিত বৰ্ষত অসমত Measles Rubella Vaccination অভিযান সফলতাৰে সম্পন্ন কৰা হয় আৰু ৯ ৰ পৰা ১৫ বছৰ বয়সৰ ৯০ লাখ (নিৰ্দ্ধাৰিত লক্ষ্যৰ ৯৮%) তকৈ অধিক শিশুক প্ৰতিষেধক প্ৰদান কৰা হৈছিল আৰু Measles Rubella Virus ৰ পৰা সুৰক্ষিত কৰা হয়।

অসমত স্ব-ইচ্ছাই ৰক্তদান কৰা কাৰ্যক উৎসাহিত কৰিবলৈ চৰকাৰে ৫ খন ৰক্ত সংগ্ৰহ ভান ক্ৰয় কৰিবলৈ পৰিকল্পনা কৰিছে আৰু সেইবোৰক অতি শীঘ্ৰে সেৱাৰ বাবে মুকলি কৰি দিয়া হব।

গুৱাহাটীৰ চাংসাৰিত এইমছ (AIIMS) স্থাপন কৰাটো অসমৰ স্বাস্থ্যখণ্ডৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। সেই অনুসৰি প্ৰয়োজনীয় ভূমি

ইতিমধ্যে সংশ্লিষ্ট কর্তৃপক্ষক হস্তান্তৰ কৰা হৈছে। তদুপৰি অসম চৰকাৰে এইম্‌ছৰ (AIIMS) কাৰণে সংযোগী পথ নির্মাণ, ভূমি উন্নয়ন আৰু বিদ্যুৎ সংযোগৰ বাবে প্ৰশাসনীয় অনুমোদনো প্ৰদান কৰিছে।

**উচ্চ শিক্ষা ঃ**

২০১৮-১৯ বিত্তীয় বৰ্ষত তলত উল্লেখ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বাবে SOPD বাজেটৰ অধীনত উচ্চ শিক্ষাৰ বাবে ৫৬৮৬৮.২৯ লাখ টকা আগবঢ়োৱা হৈছে। সেইবোৰ হ'ল- ছয় খন ৰাজ্যিক বিশ্ববিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় আৰু কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়লৈ আন্তগাঁথনিমূলক মঞ্জুৰী প্ৰদান, দেশৰ আগশাৰীৰ বিশ্ববিদ্যালয়সমূহত শ্ৰীমন্ত শংকৰদেৱৰ নামত আসন স্থাপন, নতুনকৈ উন্নীত কৰা তিনিখন বিশ্ববিদ্যালয়লৈ মঞ্জুৰী প্ৰদান, নতুনকৈ বিজ্ঞানৰ শাখা প্ৰৱৰ্তন কৰা ৫০ খন মহাবিদ্যালয়লৈ বিজ্ঞানাগাৰৰ সা-সঁজুলি ক্ৰয়ৰ বাবে মঞ্জুৰী প্ৰদান, ২৭৩ খন মহাবিদ্যালয়ৰ প্ৰতিখনলৈ ১ লাখ টকাকৈ শিক্ষামূলক ভ্ৰমণৰ বাবে মঞ্জুৰী প্ৰদান আৰু ৬ খন ৰাজ্যিক বিশ্ববিদ্যালয়লৈ ৮০ লাখ টকাৰ ক্ৰীড়া মঞ্জুৰী প্ৰদান ইত্যাদি। মাচুল ৰেহাই আঁচনিৰ অধীনত ২৭৬৩৯৭ গৰাকী দাৰিদ্ৰ সীমাৰেখাৰ অধীনৰ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে আৰু ২০১৮ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ২০৪২৮ গৰাকী ছাত্ৰীলৈ চাইকেল আগবঢ়োৱাৰ বাবে ৯২৫.৩২ লাখ টকা ধাৰ্য্য কৰা হৈছে।

যোৱা ডেৰ বছৰত অসমত কাৰিকৰী শিক্ষাৰ বাবে ইচ্ছুক শিক্ষাৰ্থীসকলৰ বাবে উপলব্ধ সা-সুবিধাসমূহৰ ক্ষেত্ৰত উল্লেখযোগ্য উন্নয়ন সাধন পৰিলক্ষিত হৈছে। উজনি অসমৰ গোলাঘাটত আৰু বৰাক উপত্যকাৰ কৰিমগঞ্জত দুখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় মুকলি কৰা হৈছে। সেইদৰে ৰাজ্যখনৰ বিভিন্ন অংশত ১১ খন নতুন পলিটেকনিকেৰে কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত ব্যাপক উপলব্ধতা পৰিলক্ষিত হৈছে। মই জ্ঞাত যে ৬ খন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু ১৩ খন নতুন পলিটেকনিকৰ শৈক্ষিক পাঠ্যক্ৰম অনাগত বৰ্ষসমূহত আৰম্ভ হ'ব।

**পাৰ্বত্য অঞ্চল ঃ**

মোৰ চৰকাৰে অসমৰ জিলা কেইখনত বসবাস কৰা জনসাধাৰণৰ বিকাশৰ বাবে বিভিন্ন আঁচনি হাতত লৈছে। ইয়াৰ অন্তৰ্গত কিছুমান উল্লেখনীয় আঁচনি হৈছে (১) আপাৰ দীঘলপানী বিশ্বনাথ পথাৰ গাঁৰৰ আৰ চি চি নদীবান্ধৰ নিৰ্মাণ কাৰ্য, (২) ৰংখাং উন্নয়ন খণ্ডৰ অধীনত ৰাংহান ৰাংবঙত পাৰম্পৰিক কাৰ্বি সাংস্কৃতিক গৃহৰ নিৰ্মাণ কাৰ্য, (৩) কাজিৰঙাৰ প্ৰৱেশ দুৱাৰত বাগৰি পৰ্যটন আবাসৰ নিৰ্মাণ কাৰ্য, (৪) খেৰণি উপস্বাস্থ্য কেন্দ্ৰৰ চৌহদত সামূহিক স্বাস্থ্য কেন্দ্ৰ (৩০ খন বিচনাযুক্ত আদৰ্শ চিকিৎসালয়)ৰ নিৰ্মাণ কাৰ্যৰ লগতে স্বাস্থ্য বিষয়া আৰু অন্যান্য কৰ্মচাৰী সকলৰ বাবে স্থায়ী আবাস গৃহ নিৰ্মাণ (৫) ৰংখেলা ৰাজহুৱা পানী যোগান ব্যৱস্থাৰ পৰ্যবেক্ষণ (PWSS), (৬) ডিফুত মুখ্য কাৰ্যবাহী সদস্য (CEM)ৰ বঙলা নিৰ্মাণ, (৭) কাৰ্বি আংলং জিলাৰ ১১৪ খন (AIBP) আঁচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে।

তদুপৰি কাৰ্বি আংলং জিলাত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (RMSA)ৰ অন্তৰ্গত ভকছুঙত ১০০ খন বিছনাযুক্ত ছাত্ৰীবাস নিৰ্মাণ কাৰ্যৰ লগতে ডিমা হাচাও জিলাৰ অন্তৰ্গত হাফলং অসামৰিক চিকিৎসালয় চৌহদত জেনেৰেল নাৰ্ছিং মিডৱাইফ(GNM) প্ৰশিক্ষণ বিদ্যালয় আৰু ছাত্ৰীবাস নিৰ্মাণ কৰাটো অসমৰ পাৰ্বত্য অঞ্চলৰ ক্ষেত্ৰত গ্ৰহণ কৰা এক উল্লেখনীয় কাৰ্যব্যৱস্থা।

NCHAC ক সংলগ্ন কৰি ২০১৮-১৯ বৰ্ষত ৰূপায়ন কৰিবলৈ প্ৰস্তাৱিত কিছুমান নতুন আৰু উদ্ভাৱনীমূলক আঁচনি হৈছে- ডিমা হাচাও জিলাত এখন চিকিৎসা মহাবিদ্যালয়, নতুন দিল্লীৰ দ্বাৰকাত ডিমাচা ভৱন নিৰ্মাণ, হাৰাঙ্গাজাও আৰু ডিলাইমা হাডিত ৩ মেগাওৱাট (MW) ক্ষমতা সম্পন্ন সৌৰ শক্তি আঁচনি, বিমান পৰিবহন সংযোজনৰ বাবে হাফলঙত হেলিপেড আৰু বহুস্তৰীয় কাৰ পাৰ্কিং নিৰ্মাণ।

**গৃহ বিভাগ ঃ আইন শৃংখলা ঃ**

মোৰ চৰকাৰে তিনি দশকৰ অধিক কাল ধৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুজ দি আছে। মোৰ চৰকাৰে ইউনিফাইড কমাণ্ড কাঠামোৰ জৰিয়তে গ্ৰহণ কৰা বহুমুখী পদক্ষেপেৰে সক্ৰিয় উগ্ৰপন্থী গোটবোৰৰ বিৰুদ্ধে সন্ত্ৰাসবাদ প্ৰতিৰোধ অভিযান আৰম্ভ কৰিছে আৰু আলোচনাপন্থী গোটবোৰৰ লগত আলোচনা আৰম্ভ কৰিছে। বিপথে পৰিচালিত যুৱচামৰ পুনৰ সংস্থাপনৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপে সুফল কঢ়িয়াই আনিছে, যাৰ প্ৰতিফলন হ'ল প্ৰায় ১৩ টা উগ্ৰপন্থী গোটৰ সৈতে যুদ্ধবিৰতি চুক্তিত স্বাক্ষৰ। এই গোটকেইটা হ'ল- (১) এন ডি এফ বি (পি), (২) আলফা (পি টি), (৩) কে এল এন এল এফ, (৪) এন ডি এফ বি(আৰ ডি) , (৫) এ চি এম এ, (৬) বি চি এফ, (৭) কে আৰ এ, (৮) ইউ কে ডি এ, (৯) কে এল অ'/কে এল এ, (১০) এইচ পি চি (ডি), (১১) এ পি এ, (১২) এএ এল এ আৰু (১৩) এচ টি এফ। এই গোটবোৰৰ লগত হোৱা আলোচনা এতিয়া ইতিবাচক দিশত আগবাঢ়ি আছে।

কে পি এল টি, এন এল এফ বি, এ ডি এফ, এন এচ এল এ, ইউ ডি এল এফ(বিভি), বি আৰ এ ইউ, টি এল এ, ইউ পি এল এ, ইউ জি পি অ', ইউ পি আৰ এফ, কে এল এফ আদি উগ্ৰপন্থী গোটে শান্তি আলোচনাত বহাৰ ইচ্ছা প্ৰকাশ কৰিছে আৰু মোৰ চৰকাৰ আশাবাদী যে আলফা(স্বাধীন) আৰু এন ডি এফ বি(এচ) গোটেও আলোচনাৰ জৰিয়তে তেওঁলোকৰ সমস্যাবোৰ সমাধানৰ বাবে আগবাঢ়ি আহিব।

আত্মসমৰ্পনকাৰী আৰু এচ অ'অ'(যুদ্ধবিৰতি ঘোষণা কৰা)গোটৰ সদস্যসকলৰ পুনৰসংস্থাপনৰ কাৰণে মোৰ চৰকাৰে যোৱা বছৰৰ (২০১৭-১৮) বাজেটত “স্বাৱলম্বন” নামৰ এখন আঁচনি গ্ৰহণ কৰিছে যাৰ জৰিয়তে এই যুৱচামক দক্ষতা আৰু স্ব-নিৰ্ভৰশীলতাৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ‘স্বাৱলম্বন’ আঁচনিৰ অধীনত ইতিমধ্যে ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ প্ৰতিষ্ঠান (এচ আই পি আৰ ডি)এ ১৮০০ আত্মসমৰ্পনকাৰী এচ অ'অ' কেডাৰক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিছে।

মান্দাকাটাত আসাম কমাণ্ডো বেটেলিয়ানৰ চৌহদত এটা কাউণ্টাৰ ইন্সাৰজেন্সি এণ্ড জাঙ্গল ওৱাৰফেয়াৰ (চি আই এণ্ড জে ডব্লিউ) স্কুল স্থাপন কৰা হৈছে। শিলচৰৰ চি আৰ পি এফ চি আই এ টি স্কুলত কমাণ্ডো বেটেলিয়নৰ কমাণ্ডেণ্ট ড০ বি এম ৰাজখোৱাৰ নেতৃত্বত অসম আৰক্ষীৰ ২৬ গৰাকী প্ৰশিক্ষকৰ এটা দলে চি আই জে ডব্লিউ ৰ ওপৰত এটা টি অ'টি গ্ৰহণ কৰিছে। এই ২৬ গৰাকী প্ৰশিক্ষকৰ সেৱাক চি আই জে ডব্লিউ কোৰ্চ পৰিচালনাৰ কামত ব্যৱহাৰ কৰা হৈছে।

মোৰ চৰকাৰে দেৰগাঁৱৰ পুলিচ ট্ৰেনিং কলেজক আসাম পুলিচ একাডেমিলৈ উন্নীত কৰিছে।

আৰক্ষীক বন্ধুত্বপূৰ্ণ দায়বদ্ধ আৰু সক্ৰিয় কৰি গঢ়ি তুলিবলৈ ৰাজ্যৰ সকলো আৰক্ষী থানাত সমাজৰ সকলো ক্ষেত্ৰৰ প্ৰতিনিধিক লৈ নাগৰিক সমিতি গঠন কৰা হৈছে আৰু মহিলাসকলৰ সমস্যা সমাধানৰ বাবে ৬৪ টা কোষ গঠন কৰা হৈছে। সকলো জিলা আৰু মহকুমা সদৰত কিশোৰসকলৰ যত্ন আৰু সুৰক্ষাৰ বাবে সকলো জিলা সদৰতে স্পেছিয়েল জুভেনাইল পুলিচ ইউনিট গঠন কৰা হৈছে।

ক্ৰমবৰ্ধমান চাইবাৰ ক্ৰাইম প্ৰতিৰোধৰ বাবে মোৰ চৰকাৰে চাইবাৰড'ম প্ৰজেক্ট কাৰ্যকৰী কৰাৰ বাবে এন আই চি এচ আই ৰুট'ৰ জৰিয়তে পি এম চি হিচাবে মেচাৰ্চ আৰ্নষ্ট এণ্ড ইয়ং এল এল পি ক নিয়োগ কৰিছে। চাইবাৰড'ম প্ৰজেক্ট্ এবাৰ কাৰ্যকৰী হ'লে আৰক্ষীৰ চাইবাৰ সম্পৰ্কীয় বিষয়সমূহৰ ক্ষেত্ৰত সামগ্ৰিক সমাধান সম্ভৱ হ'ব। এইক্ষেত্ৰত পৰামৰ্শদাতা (Consultant) নিয়োগৰ বাবে NICSI লৈ ৩,৮৭,৮৭,৭০২ টকা মুকলি কৰি দিয়া হৈছে।

দুৰ্নীতিৰ বিৰুদ্ধে আৰম্ভ কৰা অভিযানত মোৰ চৰকাৰে অসম লোকসেৱা আয়োগৰ ক্ষেত্ৰত আয়োগৰ অধ্যক্ষ আৰু অন্যান্য দুগৰাকী সদস্যকে সামৰি ৬৪ গৰাকী ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। লগতে অসম অসামৰিক সেৱা, অসম আৰক্ষী সেৱা আৰু অন্যান্য সেৱাৰ ৫৬ গৰাকী চৰকাৰী বিষয়াক গ্ৰেপ্তাৰ কৰা হৈছে।

চৰকাৰৰ “দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা” নীতিৰ অংশ হিচাপে দুৰ্নীতি প্ৰতিৰোধৰ ক্ষেত্ৰত মোৰ চৰকাৰে সক্ৰিয়ভাৱে কাম কৰি আছে। এইক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাসমূহ হ'ল— দুৰ্নীতিকাৰীৰ বিৰুদ্ধে বেহু ৰচনা, দুৰ্নীতি প্ৰতিৰোধ আইন ১৯৮৮ ৰ অধীনত গোচৰ পঞ্জীয়ন আৰু অভিযোগ প্ৰাপ্তি সাপেক্ষে দুৰ্নীতিকাৰী বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে নিয়মীয়া তদন্ত ঘোষণা। এনেধৰণৰ গোচৰত সংগৃহীত ধন তথা অন্যান্য সামগ্ৰী হ'ল— নগদ ধন ৩,৬৭,০৬,৯৯১ টকা, ৫৮৯১৬৪৯ টকাৰ স্বৰ্ণ অলংকাৰ, এখন বাঘৰ ছাল, দুটা হাতীদাত আৰু বৃহৎ সংখ্যক সম্পত্তি তথা বিনিয়োগৰ লগত জড়িত নথি পত্ৰ।

**উদ্যোগ আৰু বাণিজ্য ঃ**

পোন প্ৰথমবাৰৰ বাবে অসমত অনুষ্ঠিত হৈ যোৱা “Advantage Assam” ৰ ফলশ্ৰুতিত দেশৰ ব্যৱসায়িক সমাজৰ মাজত ব্যৱসায়িক আগ্ৰহ বৃদ্ধি পাইছে। ইয়াত ১১,৯৬২.৩৬ কোটি টকাৰ প্ৰকল্পৰ বাবে ২৭ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয় আৰু এইবোৰ ৰূপায়নৰ বিভিন্ন পৰ্যায়ত আছে। ই হৈছে ৰাজ্যখনৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ।

ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়ন আৰু বিশেষকৈ নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত ব্যক্তিগতখণ্ডৰ প্ৰতিষ্ঠানসমূহ গ্ৰহণ কৰা ভূমিকাক মোৰ চৰকাৰে স্বীকৃতি প্ৰদান কৰিছে। ৰাজ্যখনত ব্যৱসায় বাণিজ্য কৰাৰ ক্ষেত্ৰত সুচলতা প্ৰদান কৰিবলৈ মোৰ চৰকাৰে গুৰুত্বপূৰ্ণ সংস্কাৰ সাধনেৰে “The Assam Ease of Doing Business Act, 2016” ৰূপায়ন কৰি আছে। বিভিন্ন বিভাগৰ বাবে অফ লাইন অনুমোদন ব্যৱস্থা বন্ধ কৰি দিয়া হৈছে আৰু ৩৫ টা বিভাগৰ মুঠ ৪০৫ টা সেৱা অন্‌লাইন যোগে উপলব্ধ হৈছে। এতিয়ালৈকে অন্‌লাইন প'ৰ্টেলত ২৮,২০০ তকৈ অধিক পঞ্জীয়নকৃত ব্যৱহাৰকাৰী আছে আৰু অন্‌লাইন যোগে ১৮,৫০০ তকৈ অধিক অনুমোদন প্ৰদান কৰা হৈছে।

উত্তৰ-পূব অঞ্চললৈ বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ অৰ্থে ভাৰত চৰকাৰে “উত্তৰ পূব ঔদ্যোগীক উন্নয়ন আঁচনিৰ অধীনত এক বিত্তীয় উদগণিৰ পেকেজ ঘোষণা কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ পৰিপূৰক হিচাপে অসমৰ উদ্যোগ আৰু বাণিজ্য বিভাগে তিনিটা নতুন নীতি যুগুত কৰিছে। এই নীতি কেইটা হ'ল— ৰাজ্যিক ঔদ্যোগিক আৰু নিয়োগ নীতি, লজিষ্টিক পলিচি আৰু এক্সপ'ৰ্ট প্ৰমোচন পলিচি। এই নীতিসমূহ সোনকালে ঘোষণা কৰাৰ আশা আছে। এই নীতিসমূহে প্ৰস্তুতি আৰু সেৱা খণ্ডত ব্যক্তিগত বিনিয়োগক, ঔদ্যোগিক উদ্যান আৰু লজিষ্টিক পাৰ্কত বিনিয়োগক আৰু ৰাজ্যখনৰ পৰা হোৱা ৰপ্তানিক উৎসাহিত কৰিব।

স্ব-নিয়োজনৰ সা-সুবিধা প্ৰদান কৰাৰ অৰ্থে মোৰ চৰকাৰে “স্বামী বিবেকানন্দ অসম যুৱ সবলীকৰণ যোজনা” ৰূপায়ন কৰি আছে। এই আঁচনিৰ অধীনত নতুন উদ্যোগীসকললৈ ১ লাখ টকা পৰ্যন্ত ঋণ প্ৰদান কৰা হ'ব আৰু বৰ্তমানৰ উদ্যোগীসকললৈ ২ লাখ টকা পৰ্যন্ত ঋণ প্ৰদান কৰা হ'ব। এইক্ষেত্ৰত চৰকাৰী ৰাজ-সাহায্যৰ হাৰ হ'ব প্ৰকল্প ব্যয়ৰ ২০%, যিটোৰ সৰ্বোচ্চ সীমা হ'ব ৪০,০০০ টকা। এই আঁচনিখন ১৮ বছৰৰ উৰ্দ্ধৰ অসমৰ সকলো যুৱক-যুৱতীৰ বাবে প্ৰযোজ্য হ'ব আৰু তেওঁলোকৰ নিম্নতম শৈক্ষিক অৰ্হতা হ'ব লাগিব সপ্তম শ্ৰেণী উত্তীৰ্ণ। এতিয়ালৈকে এই আঁচনিৰ অধীনত ১ লাখতকৈ অধিক আবেদনপত্ৰ লাভ কৰা হৈছে। ইয়াৰে ৬৮,০০০ খনতকৈ অধিক আবেদন পত্ৰ অনুমোদন আৰু বিতৰণৰ বাবে বিভিন্ন বেংকলৈ পঠোৱা হৈছে।

**তথ্য আৰু জনসংযোগ ঃ**

মোৰ চৰকাৰে সাংবাদিক আৰু জনসাধাৰণৰ কল্যাণৰ বাবে ভালেসংখ্যক কল্যাণমূলক আঁচনি ৰূপায়ণ কৰিছে। অসমত ২০ বছৰৰ অধিককাল কৰ্মৰত সাংবাদিকসকললৈ অৱসৰকালীন লাভ আগবঢ়াবলৈ সাংবাদিকৰ কল্যাণৰ বাবে অসম পেঞ্চন আঁচনিখন ঘোষণা কৰা হৈছে। চলিত বিত্তীয় বৰ্ষত বৰ্তমানে থকা ২০ গৰাকী জ্যেষ্ঠ সাংবাদিকক (বিগত বিত্তীয় বৰ্ষত নিৰ্বাচিত) প্ৰতিমাহে ৮০০০ টকাকৈ পেঞ্চন দিয়াৰ বাবে বিবেচনা কৰা হৈছে।

সাংবাদিক ক্ষেত্ৰখনত অনবদ্য বৰঙণি আগবঢ়োৱা সাংবাদিকসকলক স্বীকৃতি আৰু উৎসাহ যোগাবলৈ মোৰ চৰকাৰে প্ৰত্যেক বছৰে ২০ গৰাকী সাংবাদিকক ৫০,০০০ টকাকৈ ফেল'শ্বিপ আগবঢ়াইছে যাতে সাংবাদিকতাৰ বিভিন্ন ক্ষেত্ৰখনত তেওঁলোকৰ দক্ষতা আৰু জ্ঞান বৃদ্ধি পায় আৰু অবিৰতভাৱে এই প্ৰচেষ্টা অব্যাহত ৰাখে।

মোৰ চৰকাৰে কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱা সাংবাদিকসকলৰ পৰিয়াললৈ বিত্তীয় সাহায্য আগবঢ়াবলৈ সাংবাদিকসকলৰ বাবে "সাংবাদিক পৰিয়াল কল্যাণ পুঁজি" নামেৰে এখন কল্যাণমূলক আঁচনিৰ শুভাৰম্ভ কৰিছে। এই উদ্দেশ্যে ষ্টেট বেংক অফ্ ইণ্ডিয়া, দিশপুৰ শাখাত ১১০.০০ লাখ টকা কৰ্পাছ পুঁজি হিচাপে ম্যাদী জমা ৰখা হৈছে।

**তথ্য প্ৰযুক্তি ঃ**

তথ্য প্ৰযুক্তি বিভাগৰ অধীনত ২০১৮ বৰ্ষৰ মে'ৰ পৰা এই বিভাগে বৈদ্যুতিন আৰু যোগাযোগ ব্যৱস্থাটো পূৰ্ণদ্যমে কাৰ্যক্ষম কৰিছে আৰু কম সময়ৰ ভিতৰত মুঠ ৩৯ গৰাকী পৰামৰ্শদাতা (৯ জন পৰামৰ্শদাতা আৰু ৩০ জন জিলা পৰিচালক) নিযুক্তি দিয়া হৈছে।

মোৰ চৰকাৰে তথ্য প্ৰযুক্তি বিভাগৰ অধীনত কেইবাটাও প্ৰকল্প/কাম-কাজ হাতত লৈছে। এইবোৰ হ'ল-গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ ওচৰৰ বঙৰাত তথ্য প্ৰযুক্তি উদ্যান/প্ৰযুক্তি মহানগৰৰ উন্নয়ন সাধন। ই Electronic Manufacturing Cluster আৰু প্ৰযুক্তি মহানগৰত Greenfield Electronics Manufacturing Cluster ক সামৰি ল'ব। ১১৯.৮৯ কোটি টকাৰ ব্যয়ত ডিজিটেল ইণ্ডিয়া নামৰ প্ৰকল্পটোত ভাৰত চৰকাৰৰ তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে অনুমোদন দিছে। ২০১৮ চনৰ ১১ আগষ্টত মোৰ চৰকাৰে দুটা G+4 Administrative cum Common Facility Centre গৃহৰ আধাৰশিলা স্থাপন কৰে। ই প্ৰায় ১,২০,০০০ বৰ্গফুটৰ, যিটো Start up World of Innovation in Future Technologies Centre হিচাপে নামাকৰণ কৰা হ'ব।

মেগা মিছন ছ'ছাইটি, মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত Broadband Connectivity উন্নত কৰিবলৈ Broadband and Citizen Serviceৰ নাম আৰু আৰ্হিত এখন ছ'ছাইটি গঠন কৰা হৈছে। ই সামৰি লোৱা ক্ষেত্ৰসমূহ হ'ল — International Internet Gateway, Assam Fibrenet Project and Village Resource Centres। অসম Fibrenet Project আৰু Village Resource Centresৰ বিতং প্ৰকল্প প্ৰতিবেদন যুগুত কৰিবলৈ Ernest and Young LLP নামেৰে এজন পৰামৰ্শদাতা নিয়োগ কৰা হৈছে আৰু ইয়াৰ অধ্যয়ন চলি আছে।

২০১৯-২০ বিত্তীয় বৰ্ষত মোৰ চৰকাৰে কেইবাখনো নতুন আঁচনি হাতত ল'ব। ইয়াৰ দ্বাৰা কম খৰচতে ICT তথা Internetৰ সুলভতা আৰু গৱেষণা তথা উদ্ভাৱনৰ প্ৰসাৰ ঘটাবলৈ বিচৰা হৈছে।

**জলসিঞ্চন ঃ**

মোৰ চৰকাৰে নিৰ্দ্ধাৰিত ২৭ লাখ হেক্টৰ ভূমিৰ জলসিঞ্চন সম্ভাৱনীয়তাৰ বিপৰীতে ২০১৮ চনৰ মাৰ্চ মাহলৈ ৯.৯৬ লাখ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা (ক্ষুদ্ৰ জলসিঞ্চন ৭.২৩ লাখ হেক্টৰ ভূমিত আৰু বৃহৎ/মজলীয়া জলসিঞ্চন ২.৭৩ লাখ হেক্টৰ ভূমিত) সৃষ্টি কৰিছে।

২০১৬ চনৰ এপ্ৰিল মাহৰ পৰা মোৰ চৰকাৰে বিভিন্ন জলসিঞ্চন আঁচনিৰ অধীনত ৫৪৯ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সম্পূৰ্ণ কৰিছে। এই আঁচনি কেইখন হ'ল- AIBP, NLCPR, NABARD, TSP, SCSP, মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ ইত্যাদি। লগতে এই সময়ছোৱাত মোৰ চৰকাৰে ২.১৯ লাখ হেক্টৰ ভূমিত অতিৰিক্ত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি কৰিছে।

ধনশিৰি জলসিঞ্চন প্ৰকল্প (বৃহৎ)-ৰ বাকীথকা কামখিনি ১১৮.৪ কোটি টকাৰ ব্যয়ত হাতত লোৱা হৈছিল আৰু ২০১৯ চনৰ মাৰ্চ মাহৰ আগতে ইয়াক সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। দীৰ্ঘম্যাদী জলসিঞ্চন পুঁজিৰ অধীনত নাবাৰ্ডৰ

পৰা এই ধন লোৱা হৈছে আৰু ই সম্পূৰ্ণ হ'লে এই প্ৰকল্পৰ পৰা ৩৮৬১৫ হেক্টৰ ভূমিত জলসিঞ্চনৰ সম্ভাৱনীয়তা সৃষ্টি হ'ব।

**ন্যায়িক ঃ**

আইনৰ বিধি হৈছে এখন গণতান্ত্ৰিক দেশৰ মাপকাঠি আৰু আইনৰ বিধি নিশ্চিত কৰাৰ ক্ষেত্ৰত এক শক্তিশালী স্বাধীন তথা নিৰপেক্ষ ন্যায়পালিকাৰ ভূমিকা গুৰুত্বপূৰ্ণ। এই বাবে মোৰ চৰকাৰে ন্যায় প্ৰদান ব্যৱস্থাটোক অধিক কাৰ্যদক্ষ কৰাৰ বাবে সদায় প্ৰতিশ্ৰুতিবদ্ধ। ২০১৮-১৯ বৰ্ষত বাক্‌সা আৰু কাছাৰ জিলাত আদালত গৃহ নিৰ্মাণ কৰি হস্তান্তৰ কৰা হৈছে আৰু আন সাতটা প্ৰকল্পৰ নিৰ্মাণকাৰ্য চলাই থকা হৈছে। ইয়াৰ উপৰি চলিত বিত্তীয় বৰ্ষত মোৰ চৰকাৰে ৪৬.২২ কোটি টকা ব্যয় সাপেক্ষে অসম ন্যায়িক একাডেমী আৰু ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয়ৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্মাণৰ কাৰ্যকে ধৰি কেতবোৰ গুৰুত্বপূৰ্ণ কামৰ বাবে প্ৰশাসনীয় অনুমোদন দিছে।

মহিলা আৰু শিশুসকলৰ ওপৰত সংঘটিত বৰ্ধিত অপৰাধসমূহক নিশ্চিতভাৱে বাধা দিব লাগিব। সেই মৰ্মে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু সমগ্ৰ ৩৩ খন জিলাতে মহিলা আৰু শিশুসকলৰ বিৰুদ্ধে সংঘটিত ধৰ্ষণ, হত্যা আদি গোচৰসমূহৰ বিচাৰ চলোৱাৰ বাবে 'ফাষ্ট ট্ৰেক কোৰ্ট' স্থাপনৰ প্ৰস্তাৱ বিবেচনা কৰি আছে।

**শ্ৰমিক কল্যাণ ঃ**

শ্ৰমিক কল্যাণ বিভাগে বিভিন্ন শ্ৰমিক আইন প্ৰয়োগৰ জৰিয়তে শ্ৰমিক কল্যাণ সম্পৰ্কীয় বহুমুখী আৰ্থ-সামাজিক ক্ষেত্ৰ, জীৱনধাৰণৰ মানদণ্ড আৰু সামাজিক সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

মোৰ চৰকাৰে শ্ৰমিক আয়ুক্তালয়ৰ জৰিয়তে নিৰ্মাণ শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে কল্যাণ আঁচনিৰ জৰিয়তে লাভান্বিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিকসকলৰ

কল্যাণ পৰিষদে 'আম আদমী বীমা যোজনাৰ অধীনত ৭৮,২৮৪ গৰাকী পঞ্জীয়নভুক্ত শ্ৰমিকক সামৰি লৈছে। অসম গৃহ আৰু অন্যান্য নিৰ্মাণ শ্ৰমিকসকলৰ মাচুল আইন, ১৯৯৬ ৰ অধীনত ২০১৮ (নৱেম্বৰ মাহলৈকে) সংগৃহীত মাচুলৰ পৰিমাণ হ'ল ১৪৩,৫৭,০৩,৮৫৩ টকা। পৰিষদে ১৯,১০০ গৰাকী নিৰ্মাণ শ্ৰমিকৰ মাজত ১৮,৩০, ৮২,৮৪২ টকা বিতৰণ কৰিছে আৰু আন ৫৫৭৪ গৰাকী নিৰ্মাণ শ্ৰমিকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ছপা আৰু বৈদ্যুতিন মাধ্যমৰ জৰিয়তে বিভিন্ন শ্ৰমিক আইনৰ বিধিসন্মত ব্যৱস্থাপনা সম্পৰ্কে ব্যাপক সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ২০১৮ চনৰ ২৩ নবেম্বৰত শোণিতপুৰ জিলাৰ ৰঙাপাৰাত শ্ৰমিক কল্যাণ দিৱস উদ্‌যাপন কৰা হৈছিল।

মোৰ চৰকাৰে ২০১৮ বৰ্ষত প্ৰায় ২৭০ টা নতুন কাৰখানা পঞ্জীয়ন কৰিছে আৰু পঞ্জীয়ন আৰু নবীকৰণ মাচুল আদি হিচাবে ৩০০ লাখ টকা ৰাজহ সংগ্ৰহ কৰা হৈছিল। কাৰখানাসমূহৰ সংখ্যা বৃদ্ধি পাইছে যদিও কাৰখানাসমূহত সংঘটিত দুৰ্ঘটনাৰ অনুপাত যথেষ্ট হ্ৰাস পাইছে। কৰ্মচাৰী ৰাজ্যিক বীমা হিতাধিকাৰীসকলৰ সুবিধাৰ্থে ৰাজ্যৰ ২৫ খন ব্যক্তিগত চিকিৎসালয়ৰ সৈতে বুজাবুজি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০১৮ বৰ্ষত মঙলদৈত এখন নতুন ই এচ আই চি ডিস্পেন্সাৰী মুকলি কৰা হৈছে।

**বিধায়িনী ঃ**

২০১৮-২০১৯ বিত্তীয় বৰ্ষত (১ জানুৱাৰী, ২০১৮ ৰ পৰা ২৭ ডিচেম্বৰ, ২০১৮) লৈ বিভিন্ন প্ৰশাসনীয় বিভাগৰ উদ্যোগত ২৯ খন আইন (১৩ খন সংশোধিত আৰু ১৬ খন নতুন) প্ৰণয়ন কৰা হৈছে আৰু এই আইন কেইখন অসম ৰাজপত্ৰত প্ৰকাশ কৰা হৈছে।

মোৰ চৰকাৰে ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ অনুসৰি বিভিন্ন কাৰ্যসূচী হাতত লৈছে। সেইবোৰ হ'ল— লক্ষ্য নিৰ্দ্ধাৰিত হিতাধিকাৰীলৈ আইন

সাহায্য প্ৰদান, লোক আদালত অনুষ্ঠিত কৰা আৰু আইন সজাগতা শিবিৰৰ আয়োজন। অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশনাত জিলা আইন সেৱা প্ৰাধিকৰণে বাৰ্ষিক আয়ৰ নিৰ্দিষ্ট সীমা অতিক্ৰম নকৰা অনুসূচীত জাতি, অনুসূচীত জনজাতি, মহিলা, শিশু বিশেষভাৱে সক্ষম লোক মানৰ সৰ্বৰাহৰ বলি হোৱা লোক আৰু অন্যান্য সকলৰ মুঠ ১৬৪ গৰাকী লোকলৈ আইনৰ সাহায্য আগবঢ়াইছে।

বিগত বৰ্ষটোত (৩০ নৱেম্বৰলৈ) ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে ২৪৩৭৩৩ টা গোচৰ নিষ্পত্তিকৰণৰ বাবে লোৱা হৈছিল আৰু ইয়াৰে ৩৬০৮৩ টা গোচৰ ৮৬৯৪৭২৯৭৩ টকাৰ নিষ্পত্তিকৰণ ব্যয়েৰে নিষ্পত্তি কৰা হৈছে। একেদৰে মাহিলী লোক আদালত আৰু ৰাজ্যিক লোক আদালতৰ জৰিয়তে নিষ্পত্তিকৰণৰ বাবে লোৱা ১৮৩৫৫১ টা গোচৰৰ ভিতৰত মুঠ ৭৮৫৯১ টা গোচৰ ৬৯৩৩২৭২৯ টকাৰ নিষ্পত্তিকৰণ ব্যয়ৰে নিষ্পত্তি কৰা হৈছে।

দৰং, নলবাৰী, তিনিচুকীয়া, শোণিতপুৰ, কাছাৰ আৰু ধেমাজি জিলাত বিকল্প বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু বঙাইগাওঁ, গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, কোকৰাঝাৰ আৰু বৰপেটা জিলাত এনে কেন্দ্ৰ নিৰ্মাণৰ কাম প্ৰায় শেষ হোৱাৰ পথত। এই কেন্দ্ৰবোৰৰ নিৰ্মাণৰ কাম ত্ৰয়োদশ বিত্ত আয়োগৰ অনুদানেৰে আৰম্ভ কৰা হৈছিল। চতুদৰ্শ বিত্ত আয়োগৰ অনুদানেৰে বাকীকেইখন জিলাত বিকল্প বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰ নিৰ্মানৰ নতুন কাম পৰ্যায়ক্ৰমে হাতত লোৱা হ'ব।

**খনি আৰু খনিজাত সম্পদ ঃ**

খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ প্ৰশাসনীয় নিয়ন্ত্ৰণত ভূ-তত্ত্ব আৰু খনি সঞ্চালকালয় হৈছে অসম চৰকাৰৰ দ্বিতীয় সৰ্ববৃহৎ ৰাজহ উৎপাদনকাৰী

বিভাগ। বিগত বছৰসমূহত বিভাগে গুৰুত্বপূৰ্ণ পদেক্ষপ হাতত লৈ আহিছে আৰু অসমৰ খনিজাত সম্পদৰ খননত যথেষ্ট সফলতা লাভ কৰিছে। ২০১৭-১৮ বিত্তীয় বৰ্ষত বিভাগে মুঠ ১৩ টা পেট্ৰ'লজাত সামগ্ৰী খনন লীজ মঞ্জুৰ কৰিছিল। ইয়াৰে ১০ টা লীজ তেল আৰু প্ৰাকৃতিক গেছ নিগম লিমিটেডলৈ মঞ্জুৰ কৰা হৈছিল আৰু ই ৪৩১.৯৪ বৰ্গ কিঃমিঃ এলেকা সামৰি লৈছে। বাকী এনে তিনিটা লীজ অইল ইণ্ডিয়া লিমিটেডলৈ মঞ্জুৰ কৰা হৈছিল, যি কেইটাই খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদনৰ বাবে ৬৮৬ বৰ্গ কিঃমিঃ ৰ এলেকা এটা সামৰি লৈছিল।

২০১৭-১৮ বিত্তীয় বৰ্ষত ভূ-তত্ত্ব আৰু খনি সঞ্চালকালয়, অসমে বালি, শিল, গেছ, মাটি, বোকা ইত্যাদিৰ বাবে মুঠ ৪৩০ টা মাইনিং (Mining Plant) ত অনুমোদন জনাইছে আৰু মাচুল হিচাপে ২২.৭৩ লাখ টকা সংগ্ৰহ কৰিছিল। ২০১৮-১৯ বৰ্ষৰ নৱেম্বৰ মাহলৈকে বিভাগে মুঠ ৩৬১ টা মাইনিং প্লেন্টত অনুমোদন জনাইছিল আৰু মাচুল হিচাপে ১৮.৮৫ লাখ টকা সংগ্ৰহ কৰিছিল।

মোৰ চৰকাৰে ACT EAST POLICY AFFAIRS নামৰ এটা বিভাগ গঠন কৰিছে। এই বিভাগে উত্তৰ- পূব অঞ্চলৰ অৰ্থনৈতিক সংহতিকৰণৰ বৃহত্তৰ উদ্দেশ্য আগত ৰাখি দক্ষিণ এছিয়া আৰু দক্ষিণ-পূব এছিয়াত থকা আমাৰ চুবুৰীয়া দেশ সমূহৰ সৈতে অৰ্থনৈতিক সুসম্পৰ্ক স্থাপনৰ বাবে সংহতিকাৰক এটা পক্ষ, নীতি নিৰ্দ্ধাৰক আৰু প্ৰধান প্ৰকল্পসমূহৰ ক্ষিপ্ৰ ৰূপায়নকাৰী হিচাপে কাম কৰিব।

সন্মানীয় সদস্যসকল মোৰ চৰকাৰৰ নীতি আৰু কাৰ্যসূচীসমূহ মই উত্থাপন কৰিলো। এই নীতি আৰু কাৰ্যসূচীসমূহ ৰূপায়ন কৰিবলৈ মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ৰাজ্যখনৰ সৰ্বাঙ্গীন বিকাশ তথা অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ অৰ্থে ইয়াৰ প্ৰতি সহায় সহযোগিতা আগবঢ়াবলৈ মই এই পৱিত্ৰ সদনৰ ওচৰত অনুৰোধ জনালো।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ**

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আইন (MGNREGA) নামৰ ধ্বজাবাহী আঁচনিখনৰ অধীনত ২০১৭-১৮ বৰ্ষত ৪৮১.২৬ লাখ কৰ্ম দিন সৃষ্টি কৰা হৈছে আৰু চলিত ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বৰ্তমানলৈকে ২৭৬.১০ লাখ কৰ্মদিন সৃষ্টি কৰা হৈছে। ৪৩.৫৮ লাখতকৈয়ো অধিক গ্ৰাম্য পৰিয়ালক জব কাৰ্ড প্ৰদান কৰা হৈছে।

ৰাজ্যিক জনস্বাস্থ্য কাৰিকৰী বিভাগ/এম জি এন ৰে গা ক একত্ৰিত কৰি প্ৰতিটো ঘৰৰ বিপৰীতে ১.৩০ লাখ আৰু প্ৰতিটো শৌচাগাৰৰ বিপৰীতে ১২০০০ টকাকৈ প্ৰধান মন্ত্ৰী আৱাস যোজনা-গ্ৰামীন(PMAY-G)-ৰ অধীনত ২,৫৯,৮১৪ গৰাকী হিতাধিকাৰীৰ লক্ষ্য নিৰ্দ্ধাৰন কৰা হৈছে আৰু এম জি এন ৰে গা ৰ সমন্বয়ত ৯৫ দিনৰ কামৰ বাবে ১৭,২৯০ টকাৰ লাভ প্ৰদান কৰা হৈছে। এই বছৰৰ জানুৱাৰীলৈকে ১২৭.০৯১ টাৰো অধিক প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীনৰ অধীনৰ গৃহৰ কাম বিভাগে সম্পূৰ্ণ কৰিছে।

ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ অধীনত মোৰ চৰকাৰে ৭,০০,০৬১ গৰাকী হিতাধিকাৰীলৈ বৃদ্ধ পেঞ্চন, ১.১০ লাখ হিতাধিকাৰীলৈ বিধৱা পেঞ্চন আৰু ৩৩,৮২৪ গৰাকী হিতাধিকাৰীলৈ দিব্যাংগ পেঞ্চন প্ৰদান কৰিছে। এই পেঞ্চনসমূহ প্ৰতিমাহে DBT ৰ জৰিয়তে হিতাধিকাৰীসকলক প্ৰদান কৰা হয়।

ওপৰত উল্লেখ কৰা বৃদ্ধ পেঞ্চন আঁচনিখনে বৃদ্ধ পেঞ্চন লাভ কৰিবলৈ যোগ্য হোৱা সকলো বয়োজ্যেষ্ঠ লোকক সামৰি লোৱা নাই। সেয়েহে ৰাজ্যখনৰ সকলো যোগ্য বৃদ্ধ লোকক সামৰি লোৱাৰ অৰ্থে মোৰ চৰকাৰে ২০১৮ ৰ ২ অক্টোবৰত শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন নামৰ আঁচনিখনৰ শুভাৰম্ভ কৰিছে। দুই লাখ নতুন হিতাধিকাৰীয়ে এই পেঞ্চন লাভ কৰিবলৈ আৰম্ভ কৰিছে আৰু আন ৫ লাখ আবেদন পত্ৰ পৰীক্ষা কৰি থকা হৈছে আৰু এই হিতাধিকাৰীসকলে অতি সোনকালে মাহিলী পেঞ্চন লাভ কৰিব।

মহিলাসকলৰ আত্ম-সহায়ক গোট তথা তেওঁলোকৰ উচ্চ-পৰ্যায়ৰ সংস্থা গঠন আৰু বিত্তীয় সাহায্য প্ৰদানৰ দ্বাৰা গাঁৱৰ মহিলাসকলৰ সবলীকৰণৰ জৰিয়তে গ্ৰাম্য দাৰিদ্ৰতা দূৰীকৰণৰ দিশত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে কাম কৰি আছে।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ২.২৯ লাখ আত্ম-সহায়ক গোট পঞ্জীয়নভুক্ত হৈছে। ইয়াত ২৪ লাখতকৈ অধিক দৰিদ্ৰ পৰিয়ালৰ পৰা এগৰাকী মহিলা সদস্যা হিচাপে আছে। বহু সংখ্যক আত্ম-সহায়ক গোটে তেওঁলোকৰ জীৱিকা উন্নীত কৰাত সফল হৈছে। ইয়াৰে কিছুমান সফল উদাহৰণ হ'ল-কাৰ্বিআংলঙত সমূহীয়াভাৱে কৰা পাৰ্বত্য ঝাড়ুৰ উৎপাদন আৰু মাকৈ উৎপাদন আৰম্ভ। তিনিচুকীয়া আৰু গোলাঘাটত স্বাস্থ্যসন্মত নেপকিনৰ প্ৰস্তুতকৰণ আৰু বিপণন, লখিমপুৰ আৰু মাজুলিত হস্ততাঁত গোট গঠন আৰু কামৰূপ মহানগৰ অঞ্চলত কাঠফুলা খেতি ইত্যাদি।

মোৰ চৰকাৰে “আমাৰ গাঁও আমাৰ আঁচনি”ৰ অধীনত অংশগ্ৰহণমূলক গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰক্ৰিয়াক প্ৰতিষ্ঠানিক ৰূপ দিছে। এই বছৰত আকৌ ২২ হাজাৰ টা ৱাৰ্ড আৰু গাঁৱক সামৰি ৰাজ্যখনৰ ২২০০ খন গাঁও পঞ্চায়তৰ প্ৰতিখনতে ৩০ দিনৰ বাবে অভিযান আকাৰে এই প্ৰক্ৰিয়া হাতত লোৱা হৈছে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ৰাজ্যিক প্ৰতিষ্ঠানে (SIPRD) ১৭৮৯ টা প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিছে য'ত ১,০৫,৭০৯ গৰাকী বিষয়া আৰু ইয়াৰ লগত জড়িত বিভিন্ন পক্ষক সামৰি লৈছে। অসমৰ গৃহ বিভাগে পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ৰাজ্যিক প্ৰতিষ্ঠানৰ সহযোগত অসম আত্মসমৰ্পনকাৰী উগ্ৰপন্থীসকলৰ বাবে নিয়োগ সৃষ্টি আঁচনিৰো কাম আৰম্ভ কৰিছে। প্ৰথম পৰ্যায়ত ক্ষুদ্ৰ উদ্যোগ আৰম্ভ কৰিবৰ বাবে ১৮০০ উগ্ৰপন্থীলৈ চৰকাৰী ৰাজসাহায্যসহ বেংক ঋণ প্ৰদান কৰা হ'ব।

**সংসদীয় পৰিক্ৰমা ঃ**

সংসদীয় পৰিক্ৰমা বিভাগে ২০১৭ বৰ্ষৰ জানুৱাৰী মাহৰ পৰা আৰম্ভ হোৱা বাজেট অধিৰেশনকে ধৰি সমগ্ৰ বিধানসভা অধিৰেশনৰ বাবে "এক্সপোজাৰ ভিজিট অফ ষ্টুডেন্টস টু আসাম লেজিচলেটিভ এচেম্বলি" নামৰ এখন নতুন বিশেষ আৰু উদ্ভাৱনীমূলক আঁচনি আৰম্ভ কৰিছে।

২০১৭ বৰ্ষৰ ৩০ জানুৱাৰীৰ পৰা ২০১৮ ৰ ছেপ্তেম্বৰ মাহলৈকে বিভিন্ন তাৰিখত অনুষ্ঠিত বিধানসভাৰ কাৰ্যক্ৰমনিকাসমূহ ১১৮ খন মহাবিদ্যালয়ৰ ২১৩৩ গৰাকী ছাত্ৰ-ছাত্ৰী, ২০১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰত্যক্ষ কৰিছিল। তেওঁলোকে ৰাজ্যপালৰ ভাষণৰ পৰা আৰম্ভ কৰি বাজেট গৃহীত হোৱা ইত্যাদিকে ধৰি অন্যান্য কাৰ্যব্যৱস্থাসমূহ বিধান সভাত প্ৰত্যক্ষ কৰিছিল। এই পৰিদৰ্শনৰ সময়ছোৱাত বিদ্যাৰ্থীসকলে মাননীয় অধ্যক্ষ, মাননীয় মুখ্যমন্ত্ৰী, মাননীয় সংসদীয় প্ৰৰিক্ৰমা বিভাগৰ মন্ত্ৰী, মাননীয় বিত্ত, শিক্ষা ইত্যাদি বিভাগৰ মন্ত্ৰী আৰু সংশ্লিষ্ট জিলাসমূহৰ স্থানীয় বিধায়কে ধৰি বিশিষ্ট ব্যক্তিসকলৰ সৈতে মতবিনিময় কৰিছিল। তেওঁলোকে ৰাজভৱনো পৰিদৰ্শন কৰিছিল আৰু ইয়াৰ ভিতৰৰ কিছু সংখ্যক দলে মোৰ সৈতে মতবিনিময় কৰাৰো সুযোগ লাভ কৰিছিল। তেওঁলোকে জ্যোতি চিত্ৰবন, ভূপেন হাজৰিকা সমাধি ক্ষেত্ৰ, আই আই টি গুৱাহাটী পৰিদৰ্শন কৰি যথেষ্ট পৰিমাণে উপকৃত হোৱা বুলি মত প্ৰকাশ কৰিছিল।

**পাৰপত্ৰ ঃ**

মোৰ চৰকাৰে ২০১৯-২০২০ বৰ্ষৰ বাবে, অসমত অভিযান আকাৰে ৰূপায়িত প্ৰকল্প আন্তঃ প্ৰব্ৰজন, প্ৰৱেশ পাৰ পত্ৰ আৰু বিদেশী পঞ্জীয়ন আৰু অনুসন্ধান (Immigration, Visa and Foreigners Registration and Tracking (IVFRT)-ৰ ৰূপায়ন কৰাত গুৰুত্ব আৰোপ কৰিছে। এই প্ৰকল্পটো National e-Governance Plan-ৰ অধীনত গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ে প্ৰৱৰ্তন

কৰিছে আৰু ই আন্তঃপ্ৰব্ৰজন সেৱাৰ আধুনিকীকৰণৰ কাৰণে ১৩-০৫-২০১০ তাৰিখে কেন্দ্ৰীয় কেবিনেটৰ দ্বাৰা অনুমোদিত হৈছে। এতিয়া ১৪ খন জিলা (FRO) সামৰি ১৫ খন ঠাই আৰু আৰক্ষীৰ বিশেষ শাখাক Hub হিচাপে বাছনি কৰাৰ বিপৰীতে বাকী ২০ খন FRO জিলাক Spoke হিচাপে বাছনি কৰা হৈছে। বৰ্তমানে ১২ টা Hub-ত IVFRT প্ৰকল্পৰ কাম-কাজ চলি আছে।

অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ কাৰণে গুহাৱাটীস্থিত প্ৰৱেশ পাৰ পত্ৰ কেন্দ্ৰ ( Visa Centre ) ৰ অতি প্ৰয়োজন এইটো বিবেচনাৰ কাৰণে মোৰ চৰকাৰে ভাৰত চৰকাৰৰ অধীনস্থ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ লগত আলোচনা কৰিছে যাতে প্ৰৱেশ পাৰ পত্ৰ (Visa) ৰ বাবে আবেদন কৰাৰ অৰ্থে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ৰাইজে আন বৃহৎ মহানগৰসমূহলৈ যাব লগা নহয়।

**পেঞ্চন আৰু ৰাজহুৱা ওজৰ- আপত্তি ঃ**

মোৰ চৰকাৰে নতুন পেঞ্চন আঁচনিৰ অধীনত ০১-০২-২০০৫ তাৰিখে বা পৰৱৰ্ত্তীকালত নিযুক্তি দিয়া ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসমূহলৈ অস্থায়ী ভিত্তিত অক্ষম পেঞ্চন/শাৰীৰিক অক্ষমতা পেঞ্চন আৰু পৰিয়াল পেঞ্চন/বিশেষ পৰিয়াল পেঞ্চন আৰু ডি চি আৰ জি-ৰ সুবিধা প্ৰদান কৰাৰ উপৰি কৰ্মৰত অৱস্থাত মৃত্যুবৰণ কৰা আৰু অক্ষমতাৰ কাৰণে চাকৰিৰ পৰা অব্যাহতি দিয়া কৰ্মচাৰীসকললৈও এনেবোৰ সুবিধা আগবঢ়াইছে।

মোৰ চৰকাৰে ২১ বছৰৰ পিছতো পৰিয়াল পেঞ্চন আগবঢ়োৱাৰ কাৰণে অবিবাহিত নিৰ্ভৰশীল কন্যা সন্তানক সামৰি লোৱাৰ বাবে এ এচ (পি) ১৯৬৯ আইন উপবিধি ২ ত থকা ১৪৩(ক) (খ) (গ) আইনখনো সংশোধন কৰিছে। ইয়াৰ উপৰি বিধবা / বিপত্নীক লোক গৰাকীৰ মৃত্যুৰ সময়ত যদি দুই বা তাতোধিক পৰিয়ালৰ সদস্য জীয়াই থাকে তেনে ক্ষেত্ৰত প্ৰাপ্য পৰিয়াল পেঞ্চনখিনি পৰিয়ালটোৰ সদস্যসকলৰ মাজত সমানে ভগাই দিয়া হ'ব।

**কৰ্মচাৰী ঃ**

অসম লোকসেৱা আয়োগ আৰু অসম ভূমি আৰু ৰাজহ সেৱাৰ অধীনত যথাক্ৰমে ৯৫ গৰাকী অসম অসামৰিক সেৱাৰ বিষয়া আৰু ৬০ গৰাকী অসম ভূমি আৰু ৰাজহ সেৱাৰ বিষয়া নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। অসম অসামৰিক সেৱাৰ জুনিয়ৰ গ্ৰেডত ৯২ টা পদ সৃষ্টি কৰা হৈছে।

**শক্তি বিভাগ ঃ**

গ্ৰীড নেটৱৰ্ক উন্নীতকৰণৰ ফলত শক্তি ব্যৱস্থাপনাৰ ক্ষমতা ১৯৭২.৫০ মেগাৱাটৰ (২০১৭-১৮) পৰা ২১৬০.৪০ মেগাৱাট (২০১৮-১৯ বৰ্ষত) লৈ বৃদ্ধি পাইছে।

মাননীয় প্ৰধান মন্ত্ৰীয়ে ২০১৭ চনৰ ২৫ ছেপ্টেম্বৰত প্ৰধান মন্ত্ৰী সহজ বিজুলী হৰ্ ঘৰ্ যোজনা ‘ সৌভাগ্য’ৰ শুভাৰম্ভণি কৰে। এই আঁচনিৰ অধীনত অসমৰ ভিতৰুৱা ঠাইসমূহৰ লগতে অসমৰ সকলো বিদ্যুত- সংযোগ নথকা ঘৰসমূহত বিদ্যুৎ সংযোগ কৰা হ'ব। এই কাম নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। মোৰ চৰকাৰে সমগ্ৰ ৰাজ্যতে বিদ্যুৎ সম্পৰ্কীয় অভিযোগ গ্ৰহণ কৰিবলৈ চাৰিটা সংখ্যাৰ হেল্পলাইন নম্বৰ ১৯১২ ৰূপায়ন কৰিছে।

এ পি ডি চি ৰ বৰ্ত্তমানে থকা এইচ টি/ এল টি নেটৱৰ্কৰ বাহঁ/ কাঠৰ খুটাবোৰ সলনি কৰিবৰ বাবে মোৰ চৰকাৰে ২০১৮-১৯ বৰ্ষত ২৫.০০ কোটি টকা নিৰ্ধাৰণ কৰিছে।

**মুদ্ৰণ আৰু লেখন সামগ্ৰী ঃ**

মোৰ চৰকাৰে নতুন যন্ত্ৰপাতি স্থাপন, পুৰণি মুদ্ৰণ যন্ত্ৰপাতিৰ সংৰক্ষণ, সংগ্ৰহালয় হল নিৰ্মাণৰ কাৰণে চৰকাৰী ছপাশালত এটি চাৰিমহলীয়া অট্টালিকা নিৰ্মাণ আৰু বৰাক উপত্যকাৰ কাৰণে বিভাগৰে জড়িত স্থায়ী কমিটিৰ অনুমোদন মৰ্মে শিলচৰত অসম চৰকাৰী ছপাশালৰ এটি শাখা নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ

কৰিছে। অসম ৰাজপত্ৰ (Assam Gazette) এতিয়া মুদ্ৰণ আৰু ছপাশাল সঞ্চালকালয়ৰ চৰকাৰী ৱেব্‌চাইট (dpns.assam.gov.in)-টো লভ্য ।২০১৭ চনৰ মাৰ্চ মাহৰ পৰা এতিয়া অসম চৰকাৰী ছপাশালত মোৰ চৰকাৰে বহুৰঙী পযেকীয়া পত্ৰিকা 'ৰাইজৰ বাতৰি' ছপা কৰি আছে।

মুদ্ৰণ আৰু লেখন সামগ্ৰী বিপণৰ অধীনত অসম চৰকাৰী ছপাশাল আৰু ইয়াৰ শাখাসমূহ আধুনিক ডিজিটেল মুদ্ৰণ প্ৰযুক্তিৰে সুসজ্জিত কৰা হ'ব।

**ৰাজহুৱা প্ৰতিষ্ঠান ঃ**

২২ টা প্ৰশাসনীয় বিভাগৰ প্ৰশাসনীয় নিয়ন্ত্ৰণৰ অধীনত ৩৯ টা ৰাজ্যিক পৰ্যায়ৰ ৰাজহুৱা প্ৰতিষ্ঠান (SLEPES) আছে। ২০১৮-১৯ বৰ্ষত ৰাজহুৱা বিনিয়োগ পৰিষদে (PIB) ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগমৰ পৰা ৪৪৪০.১৫ লাখ টকা বিত্তীয় আবণ্টনৰ জৰিয়তে অসম সমবায় মৰাপাট মিল লিমিটেডৰ সম্প্ৰসাৰণৰ কাৰণে সমবায় বিভাগৰ এটা প্ৰস্তাৱ মঞ্জুৰ কৰিছিল। এই সম্প্ৰসাৰিত প্ৰকল্পৰ বাবে বিষডুবিত এটা "কম্পোজিট প্ৰছেছিং ইউনিট" স্থাপন হ'ব, য'ত জুট চেক, হেচিয়ান ক্লথ আৰু মাল্টিফোল্ড ইয়াৰ্ন উৎপাদন কৰা হ'ব। ৩০ টি পি ডি ক্ষমতাৰে সংস্থাপিত এই ইউনিটত ৫০০ কৈ অধিক স্থানীয় যুৱক-যুৱতীৰ বাবে কৰ্ম সংস্থাপন সৃষ্টি কৰিব। ইয়াৰ বাহিৰেও ৰাজহুৱা বিনিয়োগ পৰিষদে অসম শক্তি উৎপাদন নিগম লিমিটেডৰ জৰিয়তে ১২০ মেগাৱাট নামনি কপিলী হাইড্ৰো পাৱাৰ প্ৰকল্পৰ কাৰণে ১২২৩.৪৪ কোটি টকাৰ আন এক প্ৰস্তাৱত অনুমোদন জনাইছে।

ৰাজ্যখনৰ দ্ৰুত উন্নয়নৰ বাবে ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক সুচাৰুৰূপে পৰিচালনা আৰু সেইবোৰক স্ব-নিৰ্ভৰশীল কৰিবলৈ মোৰ চৰকাৰে "ৰাজহুৱা প্ৰতিষ্ঠান নীতি"ৰ এক খচৰা প্ৰস্তুত কৰিছে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰসমূহৰ সম্পত্তিৰ মূল্যায়ন/প্ৰতিষ্ঠানসমূহৰ মূল্যায়ন কৰাৰ বাবে পৰামৰ্শদাতা নিযুক্তিৰ পদক্ষেপ লোৱা হৈছে যাতে ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানসমূহক

তালিকাভুক্ত নিৰ্বিনিয়োগ আৰু কম গুৰুত্বৰ প্ৰতিষ্ঠানসমূহৰ নিষ্পত্তিৰ জৰিয়তে প্ৰতিযোগিতামুখী আৰু বজাৰমুখী কৰি তুলিব পৰা যায়।

**জনস্বাস্থ্য কাৰিকৰী ঃ**

পানীৰ দ্বাৰা সংক্ৰামিত ৰোগ প্ৰতিৰোধ কৰাটো আৰু ইয়াৰ দ্বাৰা জনসাধাৰণৰ সাধাৰণ স্বাস্থ্য উন্নত কৰিবলৈ হ'লে বিশুদ্ধ খোৱা পানী যোগান, অনাময় ব্যৱস্থা আৰু পৰিষ্কাৰ পৰিৱেশ হৈছে অতি গুৰুত্বপূৰ্ণ।

২০১৮-১৯ বৰ্ষৰ কালছোৱাত মোৰ চৰকাৰে ১৯২ খন পাইপেৰে পানী যোগান আঁচনি ৰূপায়ন কৰি ৬৩৪ খন ৰোগ আক্ৰান্ত অঞ্চল আৰু ৪৯৫ খন আংশিকভাৱে আক্ৰান্ত অঞ্চলক বিশুদ্ধ খোৱা পানী যোগানেৰে সামৰি লোৱাৰ প্ৰস্তাৱ কৰিছে। ১০০ খনতকৈ অধিক পানী যোগান আঁচনি ৰূপায়ন কৰিবলৈ ২০১৮ চনৰ ছেপ্তেম্বৰ মাহত এখন অভিলাষী কাৰ্যসূচী প্ৰৱৰ্তন কৰা হৈছে।

ৰাষ্ট্ৰীয় জল মান উপ অভিযান কাৰ্যসূচীৰ অধীনত ৪,৯৫,৩২৬ গৰাকী ব্যক্তিক সামৰি ১৪৩ টা আৰ্ছেনিক আক্ৰান্ত বসতিস্থল আৰু ৭ টা ফ্ল'ৰাইড আক্ৰান্ত বসতিস্থল লাঘৱ কৰাৰ কাৰণে মোৰ চৰকাৰে চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে ১২২ টা পৃষ্ঠীয় উচ্চ ভিত্তিক পাইপেৰে পানী যোগান আঁচনিৰ বাবে বিতং প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰাৰ কাম হাতত ল'ব।

মোৰ চৰকাৰে ৯৬ টা বসতিস্থলৰ আৰ্ছেনিক সমস্যা দূৰীকৰণৰ কাৰণে নিটি আয়োগে যোগান ধৰা পুঁজিৰে ৯৬ টা সামূহিক জল শোধন প্ৰকল্পৰ কামো সম্পূৰ্ণ কৰিব।

গ্ৰামাঞ্চলত পাইপেৰে পানী যোগান আৰু অনাময় সেৱা উন্নীত কৰাৰ বাবে ভাৰত চৰকাৰৰ অধীনস্থ খোৱা পানী আৰু অনাময় মন্ত্ৰালয় আৰু মোৰ চৰকাৰে 'নীড় নিৰ্মল পৰিযোজনা' নামেৰে এটা উৎসৰ্গীকৃত প্ৰকল্প যুটীয়াভাৱে ৰূপায়ন কৰিছে। ২০১৯-২০ বৰ্ষত 'নীড় নিৰ্মল পৰিযোজনা'-II ৰ অধীনত

৪০০ কোটি টকাৰ বিনিয়োগেৰে শিৱসাগৰ আৰু মৰিগাঁৱত দুটা প্ৰকল্প আৰম্ভ কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

ভাৰত চৰকাৰৰ ধ্বজাবাহী আঁচনি "স্বচ্ছ ভাৰত অভিযান"-ৰ অধীনত ২০১৯ চনৰ ২ অক্টোবৰ তাৰিখৰ আগতে মুকলিত মল ত্যাগ মুক্ত এলেকা আৰু নিৰ্মাণ গাঁও গঢ়ি তুলিবলৈ বিচৰা হৈছে। ৰাজ্যখনত এই দুইটা লক্ষ্যত উপনীত হোৱাৰ বাবে মোৰ চৰকাৰে সকলো প্ৰচেষ্টা হাতত লৈছে যাতে অসমত সকলো সম্প্ৰদায়ৰ লোকৰ মাজত স্থায়ীভাৱে মানসিকতাৰ পৰিৱৰ্তন পৰিলক্ষিত হয়।

এই অভিযানৰ অধীনত ৰাজ্যখনৰ গ্ৰামাঞ্চলত ২০১৮ চনৰ ২৬ ডিচেম্বৰ তাৰিখলৈকে অনাময় ব্যৱস্থাই ৯৯.৩৭% সামৰি লৈছে, যিটো হৈছে ২০১৪ চনৰ ২ অক্টোবৰৰ ৩৭.৬৫% ৰ তুলনাত উপলব্ধ বৃদ্ধিৰ হাৰ।

এতিয়ালৈকে এই মিছনৰ অধীনত ২২৪১৮ খন গাঁৱক সামৰি ২৮ খন জিলা ২০৪ টা ব্লক আৰু ২৪১১ খন গাওঁ পঞ্চায়তক মুকলিত মল ত্যাগ মুক্ত হিচাপে ঘোষণা কৰা হৈছে। মই আপোনালোকক বনাবলৈ পাই সুখীহৈছো যে আমাৰ ৰাজ্যখনক অতি সোনকালে মুকলিত মল ত্যাগ মুক্ত হিচাপে ঘোষণা কৰা হ'ব।

**গড়কাপ্তানী (পথ) ঃ**

ৰাজ্যৰ পথ যোগাযোগ ব্যৱস্থা উন্নয়নৰ অৰ্থে মোৰ চৰকাৰে ভাৰত চৰকাৰ, নাবাৰ্ড আৰু ইয়াৰ নিজা উৎসৰ পৰা প্ৰয়োজনীয় পুঁজিৰ ব্যৱস্থা কৰিছে। ২০১৬-১৭ বিত্তীয় বৰ্ষৰ আৰম্ভনিৰ পৰা প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা (PMGSY) ৰ অধীনত ৩৮২১ টা গ্ৰাম্য বসতিস্থলক সংযোগ কৰিবলৈ ১০৬৯ খন পকী দলঙৰ লগতে ৯৮৪৩ কিঃমিঃ সকলো বতৰতে ব্যৱহাৰৰ উপযোগী পথ নিৰ্মাণ কৰিবলৈ ৮১৯২ কোটি টকা মঞ্জুৰ কৰা হৈছে। আনহাতে ২৬ খন পকী দলঙসহ ৩৩২ কিঃমিঃ পথ উন্নয়নৰ কামৰ বাবে কেন্দ্ৰীয় পথ পুঁজিৰ অধীনত ৮৪২ কোটি টকা মঞ্জুৰ কৰা হৈছে।

২০১৬-১৭ বৰ্ষৰ আৰম্ভনিৰ পৰা ৩৬৭ কিঃমিঃ পথৰ কাম আৰু ৩৭৩ খন পকী দলঙৰ বাবে আৰ আই ডি এফ-ৰ অধীনত ৯০ শতাংশ ঋণ হিচাপে লৈ নাবাৰ্ডৰ পৰা ১৭৬৭ কোটি টকা মোৰ চৰকাৰে মঞ্জুৰ কৰিছে। গুৱাহাটীত ব্ৰহ্মপুত্ৰত উত্তৰ আৰু দক্ষিণ পাৰক সংযোগ কৰিবলৈ এই নদীৰ ওপৰত এখন দলং নিৰ্মাণৰ বাবে এক নতুন প্ৰকল্প হাতত লৈছে আৰু পুঁজিৰ বাবে New Development Bank (NDB) লৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

বৰ্তমান ৰাজ্যখনত ৰাষ্ট্ৰীয় ঘাই পথৰ উপৰিও প্ৰায় ৩০,০০০ কিঃমিঃ পকী পথ আছে।

**গড়কাপ্তানী গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ ঃ**

ৰাজ্যখনৰ সৰ্বাংগীন অৰ্থনৈতিক উন্নয়নত পথ আন্তঃগাঁথনি বিশেষকৈ ঘাইপথ যোগাযোগ ব্যৱস্থাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মোৰ চৰকাৰে ৰাজ্যখনৰ ঘাইপথ যোগাযোগ ব্যৱস্থাৰ সংহত উন্নয়নৰ অৰ্থে গুৰুত্ব প্ৰদান কৰিছে। এই পদক্ষেপে কৃষি, পৰ্যটন, স্বাস্থ্য, শিক্ষা আদিৰ লেখীয়া আন খণ্ডসমূহৰ উন্নয়ন বৃদ্ধি কৰিব। মোৰ চৰকাৰে ভাৰত চৰকাৰৰ পৰা পোৱা প্ৰয়োজনীয় সাহায্যৰে বহুতো গুৰুত্বপূৰ্ণ পথ আৰু বহুসংখ্যক নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মানৰ বাবেও যথোচিত গুৰুত্ব প্ৰদান কৰিছে। “ভাৰতমালা”ৰ অধীনত কেইটামান ৰাষ্ট্ৰীয় ঘাইপথক ৪- লেনলৈ বহলকৰণৰে সৈতে বহুসংখ্যক নতুন ৰাষ্ট্ৰীয় ঘাইপথ আৰু “নীতিগতভাৱে” (In Principle) ৰাষ্ট্ৰীয় ঘাইপথ উভয়ৰে বিস্তৃত প্ৰকল্প প্ৰতিবেদন (DPR) প্ৰস্তুতিৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে।

माननीय প্ৰধানমন্ত্ৰীয়ে ২০১৮ ৰ ২৫ ডিচেম্বৰত মুকলি কৰা বগীবিল ৰেল তথা পথ দলংখনে অসম আৰু অৰুণাচল প্ৰদেশ উভয়ৰে আৰ্থিক দৃশ্যপটৰ ক্ষেত্ৰত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব।

অসম গড়কাপ্তানি গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ গৃহ শাখাই ২০১৭-১৮ বৰ্ষত বহুতো গুৰুত্বপূৰ্ণ প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিছে আৰু বহুসংখ্যক প্ৰকল্পৰ কাম চলি আছে।

শ্বিলং আৰু চেন্নাইত অসম ভৱনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হৈছে। দিল্লী, কলকাতা(চল্ট লেক) আৰু মুম্বাইত অসম ভৱনৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে আৰু ভেলোৰ আৰু বাংগালোৰত অসম ভৱনৰ নিৰ্মাণকাৰ্য চলি আছে।

গোলাঘাটত নতুন অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। ১১ খন পলিটেকনিক আৰু ৭ খন আই টি আই-ৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। ১০ খন পলিটেকনিক আৰু ৮ খন আই টি আইৰ নিৰ্মাণৰ কাম চলি আছে। নলবাৰী, তিনিচুকীয়া আৰু কোকৰাঝাৰত ৩ খন নতুন চিকিৎসা মহাবিদ্যালয় তথা ওদালগুৰি, মঙলদৈ, গহপুৰ আৰু ধুবুৰীত ন্যায়িক আদালত গৃহ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

নদীদ্বীপ মাজুলীৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সংহত কাৰ্যালয় চৌহদ তথা আৱাসিক ভৱন নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে।

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ঃ**

মোৰ চৰকাৰে ৰাইজক হাৰাশাস্তিৰ পৰা মুক্তি দিবলৈ ভূমি সম্পৰ্কীয় নথি-পত্ৰৰ উপযুক্ত ব্যৱস্থাপনা আৰু সময় অনুযায়ী উন্নীতকৰণৰ বাবে ৱেব ভিত্তিক 'ইন্টিগ্ৰেটেড লেণ্ড ৰেকৰ্ড মেনেজমেন্ট চিষ্টেম (ILRMS) ৰ ইতিমধ্যে প্ৰৱৰ্তন কৰিছে। এই ব্যৱস্থাই পঞ্জীয়ন কাৰ্যালয়, ৰাজহচক্ৰ, উপায়ুক্তৰ কাৰ্যালয় আৰু ভূ- অভিলেখ আৰু জৰীপ ইত্যাদিৰ মাজত আন্তঃযোগাযোগ কৰি তুলিছে। ইয়াৰ দ্বাৰা ৰাজহ প্ৰশাসনত সৰ্বাধিক দক্ষতা, স্বচ্ছতা আৰু দায়বদ্ধতা নিশ্চিত কৰিব পৰা গৈছে।

অসমৰ খিলঞ্জীয়ালোক সকলক ভূমিৰ অধিকাৰ সুৰক্ষা প্ৰদানৰ বাবে অৱসৰপ্ৰাপ্ত IAS বিষয়া হৰিশংকৰ ব্ৰহ্মাৰ অধ্যক্ষতাত এখন কমিটি গঠন কৰি দিয়া হৈছিল আৰু এই কমিটিয়ে তদন্তৰ সবিশেষ প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিছে। ৰাজ্য চৰকাৰে এটা নতুন ভূমি অধিকাৰ নীতি যুগুত কৰিবলৈ

লৈছে, যিটো অতি সোনকালে ৰূপায়ণ কৰা হ'ব। আমি দৃঢ়ভাৱে বিশ্বাস কৰো যে নতুন ভূমি নীতিয়ে খিলঞ্জীয়া লোকসকলৰ ভূমিৰ অধিকাৰক সম্পূৰ্ণৰূপে ৰক্ষনাবেক্ষণ দিব।

৭৭ টা পঞ্জীয়ন কাৰ্যালয়ৰ ৪৭ টা কাৰ্যালয়ত ই-ষ্টেম্পিং (E.Stamping) ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে আৰু বাকী থকা ৩০ টা কাৰ্যালয়ত অতি শীঘ্ৰে প্ৰৱৰ্তন কৰা হ'ব।

১০৩০ খন জৰীপ নোহোৱা গাঁৱৰ ১০০ খন গাঁৱত জৰীপ কাৰ্য সম্পন্ন কৰা হৈছে আৰু ৭২ খন গাঁৱত চলিত বছৰত জৰীপ কাৰ্য চলোৱা হ'ব। মোৰ চৰকাৰে বৰ্তমান ৰাজ্যখনত কাৰ্যক্ষম হৈ থকা সত্ৰসমূহৰ পুৰাতত্ব সঞ্চালকালয়, অসমৰ দ্বাৰা চলোৱা জৰীপৰ ওপৰত ভিত্তি কৰি এখন চূড়ান্ত তালিতা প্ৰস্তুতৰ কাম হাতত লৈছে যাতে সত্ৰসমূহৰ বৰ্তমানৰ অৱস্থা সম্পৰ্কে অৰ্থাৎ মুঠ সত্ৰসমূহৰ সংখ্যা, সত্ৰসমূহৰ অধীনত থকা মুঠ এলেকা, সত্ৰসমূহৰ নিজৰ এলেকা, বেদখলত থকা সত্ৰসমূহৰ এলেকা ইত্যাদি সম্পৰ্কে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব পৰা যায়।

মোৰ চৰকাৰ ভূমিহীন লোকসকলক ভূমি পট্টা প্ৰদানৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু এই উদ্দেশ্যে ৮,১৩০ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হৈছে আৰু ৰাজ্যখনৰ ৩,৭৪৮ টা পৰিয়ালক ভূমি আৱণ্টন প্ৰমান পত্ৰ প্ৰদান কৰা হৈছে। কামৰূপ জিলাৰ IIT গুৱাহাটী প্ৰকল্পৰ দ্বাৰা ক্ষতিগ্ৰস্ত ২২৫ টা পৰিয়াললৈ ৫১১ বিঘা ২ কঠা ৮ লেচা ভূমি প্ৰদান কৰা হৈছে। তদুপৰি, কামৰূপ, কৰিমগঞ্জ, যোৰহাট, তিনিচুকীয়া, কামৰূপ মহানগৰ আৰু মাজুলি জিলাৰ বিভিন্ন সংস্থা/চৰকাৰী বিভাগসমূহলৈ ৫৫৩ বিঘা ২ কঠা ১০ লেচা মাটি আৱণ্টন দিয়া হৈছে।

মোৰ চৰকাৰে নথি-পত্ৰ আদিৰ উপযুক্ত ব্যৱস্থাপনা আৰু প্ৰতিবেদন দাখিলৰ বাবে বিভাগসমূহত অন্‌লাইন ব্যৱস্থাপনা তথ্য পদ্ধতি আৰম্ভ কৰিছে আৰু ৰাজহ বিভাগৰ শেহতীয়া তথ্যসমূহ নিয়মীয়াকৈ আপলোড কৰি থকা হৈছে।

মোৰ চৰকাৰে গাঁৱৰ মানচিত্ৰৰ ডিজিটাইজেচন, ভূ-নক্সা ছফ্‌টৱেৰ জৰিয়তে মানচিত্ৰৰ সংহতকৰণ, ধৰিত্ৰী উন্নীতকৰণ আৰু ই-পঞ্জীয়নৰ বাবে প্ৰকল্প হাতত লৈছে।

মোৰ চৰকাৰে ৰাজ্যখনত ৰাষ্ট্ৰীয় ভূমি নথি আধুনিকীকৰণ আঁচনিৰ ফলপ্ৰসূ ৰূপায়নৰ বাবে অসম ভূমি ব্যৱস্থাপনা আৰু তথ্য সমাজ গঠন কৰিছে।

**বিজ্ঞান আৰু প্ৰযুক্তি ঃ**

আমাৰ চৰকাৰে বিজ্ঞান আৰু প্ৰযুক্তিৰ বহনক্ষম উন্নয়নত অধিক গুৰুত্ব প্ৰদান কৰিছে। সাধৰণ ৰাইজৰ মাজত বিজ্ঞানৰ প্ৰচাৰ আৰু ৰাজ্যত নতুন উৎকৃষ্টতাৰ প্ৰতিষ্ঠান স্থাপন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

গুৱাহাটীত ষ্টাৰ্ট-আপ, শিক্ষাবিদ, পৰিৱেশ বিজ্ঞানী আৰু উদ্যোগীসকলৰ বাবে এটি ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠানৰ (ISRO) গৱেষণা কেন্দ্ৰ স্থাপন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই অঞ্চলত এনে কেন্দ্ৰ স্থাপনৰ উদ্দেশ্য হ'ল অসমৰ দ্ৰুত উন্নয়নৰ বাবে ভূ-তাত্ত্বিক প্ৰযুক্তি ব্যৱহাৰৰ সম্ভাৱনীয়তা উদ্ভাৱন কৰা। এই প্ৰযুক্তিত অন্তৰ্ভুক্ত হ'ব গ্ল'বেল পজিচনিং চিষ্টেমৰ (GPS) জিঅ'গ্ৰাফিকেল ইনফৰমেচনিং চিষ্টেম (GIS) আৰু চেটেলাইট ৰিম'ট চেনচিঙৰ জৰিয়তে তথ্য সংগ্ৰহ। চিলাসুন্দৰী ঘোঁকা মৌজাৰ অভয়াপুৰী গাঁৱত ১৫ বিঘা মাটি চিনাক্ত কৰা হৈছে আৰু গৱেষণা কেন্দ্ৰটো স্থাপনৰ বাবে মাটিৰ মান নিৰ্ণয়ৰ অৰ্থে NESAC আৰু NRSC ৰ বিশেষজ্ঞসকলে পৰিদৰ্শন কৰিছে।

জনসাধাৰণ বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞানৰ জনপ্ৰিয়তা বৃদ্ধি আৰু প্ৰসাৰৰ উদ্দেশ্যে চৰকাৰে অসমৰ ২৩ খন জিলাত জিলা বিজ্ঞান কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা হাতত লৈছে। এই কেন্দ্ৰসমূহে সংশ্লিষ্ট জিলাসমূহত বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয় দিশসমূহ পূৰণ কৰিব। এই ক্ষেত্ৰত প্ৰাৰম্ভিক প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু মাটি চিনাক্তকৰণ কৰা হৈছে। বিজ্ঞান কেন্দ্ৰসমূহ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ জিলা পৰ্যায়ৰ অনুষ্ঠান।

ব্যৱসায়িক প্ৰতিষ্ঠান ক্ষেত্ৰ (Business Enterprise Zone)ৰ সমূহীয়া আন্তঃগাঁথনি নিৰ্মাণৰ বাবে ২৯.৪৮ কোটি টকাৰ প্ৰশাসনীয় অনুমোদন ইতিমধ্যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ দ্বাৰা লোৱা হৈছে। জৈৱ-প্ৰযুক্তি উদ্যমি, জৈৱ-প্ৰযুক্তি ষ্টাৰ আপ্ কোম্পানীৰ প্ৰসাৰৰ বাবে আৰু জৈৱ প্ৰযুক্তি তথা ইয়াৰ সৈতে সংযুক্ত উদ্যোগ স্থাপন আৰু নিয়োগ সৃষ্টিৰ উদ্দেশ্যে গুৱাহাটী জৈৱ-প্ৰযুক্তি উদ্যানৰ বাবে নিৰ্ধাৰিত ভূমি ব্যক্তিগত সংস্থাক লীজত দিয়াৰ বাবে চৰকাৰে অনুমোদন জনাইছে।

ৰাজ্যখনৰ জৈৱ-প্ৰযুক্তিৰ ব্যাপক উন্নয়নৰ বাবে অসম চৰকাৰে অসমৰ বাবে জৈৱ-প্ৰযুক্তি নীতি আৰম্ভ কৰিছে। এড্ভানটেজ আছাম ২০১৮ বৰ্ষৰ সময়ছোৱাত এই নীতিৰ শুভাৰম্ভ কৰা হৈছিল। এই নীতি ৰূপায়ণ কৰাৰ বাবে অসম জৈৱ-প্ৰযুক্তি পৰিষদ (এ বি টি চি) গঠনৰ প্ৰক্ৰিয়া চলি আছে। এই পৰিষদে ৰূপায়ণকাৰী সংস্থা হিচাবে কাম কৰিব।

**মাধ্যমিক শিক্ষা ঃ**

মোৰ চৰকাৰে দৰিদ্ৰ শ্ৰেণীৰ শিক্ষাৰ্থীক বিনামূলীয়াকৈ উচ্চ শিক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয়ত নামভৰ্ত্তিৰ মাচুল সম্পূৰ্ণ বিনামূলীয়া কৰিছে।

২০১৮-১৯ বৰ্ষত একাদশ আৰু দ্বাদশ শ্ৰেণীত নামভৰ্ত্তি কৰা ৮৮,৯৩৪ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে ৭৭১.৯০৯ লাখ টকা নামভৰ্ত্তি, টিউচন মাচুল আদি পৰিশোধৰ বাবে মুকলি কৰি দিছে। উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা দৰিদ্ৰ শ্ৰেণীৰ শিক্ষাৰ্থীৰ পৰীক্ষা মাচুল তথা কেন্দ্ৰ মাচুল ৰেহাই কৰি দিয়াটো এই আঁচনিৰ অধীনত অন্তৰ্গত কৰিছে।

বিনামূলীয়া পাঠ্যপুথি বিতৰণ আঁচনিৰ অধীনত দ্বাদশ শ্ৰেণীৰ বিজ্ঞান, কলা, বাণিজ্য শাখা আৰু বৃত্তিগত শিক্ষাৰ পাঁচটা প্ৰধান বিষয়ৰ পাঠ্যপুথি প্ৰদান কৰা হৈছে। ২০১৮-১৯ বৰ্ষত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ১২,২৩,৪৩৮ গৰাকী

শিক্ষাৰ্থীক সামৰি সৰ্বমুঠ ১,১৮,০০,০০০ সংখ্যক পাঠ্যপুথি বিতৰণ কৰা হৈছে। এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে সৰ্বমুঠ ২৬৫৮.২১ লাখ টকা অনুমোদন জনোৱা হৈছে।

আনন্দ ৰাম বৰুৱা বঁটা আঁচনিৰ অধীনত ২০১৮ বৰ্ষৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা/অসম হাই মাদ্ৰাছা পৰীক্ষাত ষ্টাৰ নম্বৰসহ অথবা অধিক নম্বৰসহ উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ লেপ্‌টপ্‌ প্ৰদান কৰা হ'ব। বিগত বৰ্ষত আনন্দৰাম বৰুৱা বঁটা আঁচনিখন ১৫,৮৫০ গৰাকী মেধাবী ছাত্ৰ-ছাত্ৰীক সামৰি সফলভাৱে ৰূপায়ণ কৰা হয়।

মাধ্যমিক স্তৰত বিদ্যালয় আধাতে এৰি দিয়াৰ হাৰ কমাবলৈ আৰু ছোৱালী শিক্ষাৰ্থীৰ সৰলীকৰণৰ বাবে মোৰ চৰকাৰে চৰকাৰী আৰু প্ৰাদেশীকৃত উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দশম শ্ৰেণীলৈ শিক্ষাৰত ছাত্ৰীসকলক বিনামূলীয়াকৈ বাইচাইকেল প্ৰদান কৰি আছে। বিগত বৰ্ষত ২,২৩,২৫৫ গৰাকী হিতাধিকাৰী ছাত্ৰীক সামৰি লোৱা হৈছিল। চলিত বৰ্ষত বাকী থকা ১,৪০,০০০ গৰাকী হিতাধিকাৰী ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছে।

ছাত্ৰ-ছাত্ৰীসকলে দক্ষতা সম্পৰ্কীয় উদ্ভাৱনমূলক শিক্ষণ-প্ৰশিক্ষণ পদ্ধতিৰ দ্বাৰা জ্ঞান লাভ কৰিবলৈ মোৰ চৰকাৰে ৩২৪ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ৬৫ খন চিনিয়ৰ চেকণ্ডেৰী বিদ্যালয়ত 'সপ্তধাৰা' আৰম্ভ কৰিছে। দৰিদ্ৰ পৰিয়াল আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীৰ ছাত্ৰীসকলক থকা ঠাইৰ সুবিধা প্ৰদানৰ বাবে শৈক্ষিকভাৱে পিছপৰা চি.ডি. ব্লকৰ বিভিন্ন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত ১০০ খন বিছনাযুক্ত ৭২ খন ছাত্ৰীনিবাস নিৰ্মাণ কৰি থকা হৈছে। ২০১৬ চনৰ জানুৱাৰীৰ পৰা পৰ্যায়ক্ৰমে ১৯ খন ছাত্ৰী নিবাসত ৭০৫ গৰাকী তালিকাভুক্ত কৰি কাৰ্যকৰী কৰা হৈছে। অন্য ১০ খন ছাত্ৰীনিবাস ২০১৯ বৰ্ষৰ নতুন শৈক্ষিক বৰ্ষত কাৰ্যকৰী কৰা হ'ব।

মোৰ চৰকাৰে মাধ্যমিক বিদ্যালয়সমূহৰ মূল সম্পদ শক্তিশালী কৰাৰ উদ্দেশ্যে সৰ্বমুঠ ২,৪২২ খন মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ কাম হাতত লৈছে। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানে মাধ্যমিক স্তৰত দক্ষতা সম্পৰ্কীয় শিক্ষাত গুৰুত্ব আৰোপ কৰিছে যাৰ ফলস্বৰূপে ৰাজ্যত National Skill Qualification Framework (NSQF) প্ৰৱৰ্তন কৰা হৈছে।

**সচিবালয় প্ৰশাসন ঃ**

সচিবালয়ৰ সকলো বিভাগত ফাইল পৰিচালনা ব্যৱস্থা (e-office)ৰ সফল ৰূপায়ণৰ পিছত এতিয়া সকলোবোৰ সঞ্চালকালয়, আয়ুক্তৰ কাৰ্যালয় আৰু জিলা পৰ্যায়লৈ সম্প্ৰসাৰণ কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

সাধাৰণ নাগৰিকৰ বাবে প্ৰশাসনীয় যন্ত্ৰটোক সম্পূৰ্ণভাৱে স্বচ্ছ কৰাৰ উদ্দেশ্যে ই-প্ৰস্তুতিৰ অধীনত বিভিন্ন বিভাগে উন্নীত কৰা সকলো ৱেবচাইট মানসম্পন্ন কৰা হৈছে। কৰ্মচাৰীসকলৰ আত্মবিশ্বাস আৰু সামৰ্থ বৃদ্ধিৰ অৰ্থে এতিয়া ভাৰতৰ বিভিন্ন ঠাইলৈ কৰ্মচাৰীসকলক নিয়মীয়াকৈ প্ৰদৰ্শনমূলক ভ্ৰমণৰ সুবিধা প্ৰদান কৰা হৈছে।

অতিৰিক্ত সচিবৰ পৰা জ্যেষ্ঠ প্ৰশাসনিক সহায়কলৈ বিভিন্ন শ্ৰেণীৰ বহু সংখ্যক পদ সৃষ্টি কৰাটো হ'ল এই বছৰত সচিবালয় প্ৰশাসন বিভাগৰ এক ডাঙৰ সফলতা।

মহিলা কৰ্মচাৰীসকলৰ বাবে সুচল আৰু নিৰাপদ যাতায়ত সুনিশ্চিত কৰাৰ অৰ্থে জনতা ভৱনৰ মহিলা কৰ্মচাৰীসকললৈ ইতিমধ্যে ষ্টাফ বাছ আগবঢ়োৱা হৈছে।

**ৰেচম ঃ**

ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ সৰহসংখ্যক জনসংখ্যাৰেই অৰ্থনৈতিক উন্নয়নত এৰী, মুগা আৰু নুনী সূতাৰ পলু পালনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি

আছে। এৰী পাট উৎপাদনত ৰাজ্যখনে প্ৰধান উৎপাদক আৰু ই হৈছে সমগ্ৰ ৰাষ্ট্ৰীয় উৎপাদনত ৬৫% । সোণালী পাট মুগাৰ বাবে ৰাজ্যখনে শীৰ্ষস্থান (G1) লাভ কৰিবলৈও সক্ষম হৈছে।

অসম ছিল্ক আউটৰিচ মিছন হৈছে বিভাগটোৰ এখন ধ্বজাবাহী আঁচনি। অহা ১০ বছৰত এই প্ৰকল্প ৰূপায়ণৰ বাবে ৪৫৬০৭.৭৭৫ লাখ টকাত চৰকাৰে প্ৰশাসনীয় অনুমোদন প্ৰদান কৰিছে আৰু এই প্ৰকল্পৰ অধীনত বিভিন্ন কাম-কাজসমূহ অগ্ৰগতি লাভ কৰিছে। North Eastern Textile Promotion Scheme ৰ অধীনত Eri Spun Silk Milk স্থাপনৰ বাবে ২১৫৩ লাখ টকা বস্ত্ৰ মন্ত্ৰালয়ে অনুমোদন জনাইছে আৰু এই প্ৰকল্পৰ অধীনৰ প্ৰাথমিক কাম-কাজসমূহ চলি আছে। অসমৰ এৰী সূতাৰ উদ্যোগ উন্নয়নৰ বাবে ছিল্ক সমগ্ৰৰ অধীনত ১১৭৪ লাখ টকা অন্য এটা প্ৰস্তাৱ ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ত দাখিল কৰা হৈছে।

**দক্ষতা, নিয়োগ আৰু উদ্যমিতা ঃ**

অসম দক্ষতা উন্নয়ন অভিযান (ASDM) য়ে ৰাজ্যিক পুঁজিৰ অধীনৰ Placement Linked Skill Training Programme (PLSTP) আৰু কেন্দ্ৰীয় পুঁজিৰ অধীনৰ "প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা (PMKVY)"ৰ ৰাজ্যৰ পৰিচালিত অংশৰ প্ৰত্যক্ষভাৱে ৰূপায়ণ কৰি আছে। ৫০,০০০ প্ৰাৰ্থীক প্ৰশিক্ষণ প্ৰদানৰ উদ্দেশ্যে PLSTP ৰ অধীনত সমগ্ৰ ৰাজ্যখনত ৪৭৪ টা প্ৰশিক্ষণ কেন্দ্ৰ থকা ১৯৩ টা প্ৰশিক্ষণ সংস্থাক বৰ্তমানে ASDM য়ে তালিকাভুক্ত কৰিছে। PMKVY 2.0 ৰ অধীনত ASDM য়ে ৮০ টা প্ৰশিক্ষণ কেন্দ্ৰসহ আৰু ৩৩ টা প্ৰশিক্ষণ সংস্থা তালিকাভুক্ত কৰিছে। ইয়াত ১৮,০০০ ৰো অধিক প্ৰাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। অনুসূচিত জাতিৰ উন্নয়নৰ হকে কাম কৰাৰ অৰ্থে ASDM য়ে ৰাষ্ট্ৰীয় অনুসূচিত জাতিৰ বিত্ত আৰু উন্নয়ন নিগম (NSFDC) ৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

**সমাজ কল্যাণ ঃ**

মোৰ চৰকাৰ মহিলা, শিশু, দিব্যাংগ, জ্যেষ্ঠ নাগৰিক আৰু অলৰ-অচৰ হোৱা লোকসকলৰ সৰ্বাংগীন উন্নয়নৰ প্ৰতি সহায় আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই শ্ৰেণীৰ লোকসকলৰ বিকাশ আৰু উন্নয়নৰ বাবে বিশেষ যত্ন তথা পদক্ষেপৰ দৰকাৰ। বিগত বছৰসমূহত এই শ্ৰেণীৰ লোকসকললৈ সাহায্য প্ৰদান কৰাৰ অৰ্থে মোৰ চৰকাৰে বিভিন্ন কাৰ্যসূচী/আঁচনি হাতত লৈছে।

২০১৮-১৯ বৰ্ষত সংহত শিশু উন্নয়ন সেৱা আঁচনিৰ অধীনত পৰিপূৰক পৰিপুষ্টি আঁচনিৰ বাবে ৪৮,৫৩৭.৯ লাখ টকা মুকলি কৰি দিয়া হৈছে আৰু শিশু উন্নয়ন সেৱা আঁচনিৰ বাবে ৭৪,৭০৯.০৭ লাখ টকা মুকলি কৰি দিয়া হৈছে। ১১ বছৰৰ পৰা ১৪ বছৰ বয়সৰ কন্যাসকলৰ পৰিপুষ্টি আৰু স্বাস্থ্যৰ অৱস্থা উন্নত কৰিবলৈ (বিদ্যালয়লৈ নোযোৱা), তেওঁলোকক ঘৰুৱা আৰু বৃত্তিগত দক্ষতাৰে গঢ়ি তুলিবলৈ তথা তেওঁলোকৰ সামগ্ৰিক উন্নয়নৰ অৰ্থে মোৰ চৰকাৰে "কিশোৰী কন্যাৰ বাবে আঁচনি" (Scheme for Adolescent Girls) খনো ৰূপায়ণ কৰিছে। অসমৰ ২৩ খন জিলাত ১১ বছৰ বয়সৰ পৰা ১৪ বছৰ বয়সলৈ ৫৪,৩৫২ গৰাকী আধাতে বিদ্যালয় এৰা কিশোৰী কন্যাক প্ৰতিজন হিতাধিকাৰীক প্ৰতিদিনে ৯.৫ টকাকৈ প্ৰদান কৰা পৰিপুষ্টি উপাদান আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। ইয়াৰ বাবে ২০১৮-১৯ বৰ্ষত ১,৮৮৯.১১ লাখ টকা ধাৰ্য কৰা হৈছে।

**মোৰ চৰকাৰে ৰূপায়ণ কৰা অন্য কেইখনমান আঁচনি**

**"দীন দয়াল দিব্যাংগজন সাহায্য আঁচনি" ঃ-** আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস"ৰ লগত সংগতি ৰাখি এই আঁচনিখন ২০১৭ৰ ৩ ডিচেম্বৰত আৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত দিব্যাংগৰ প্ৰমাণ পত্ৰ থকা প্ৰতিগৰাকী দিব্যাংগলৈ ৫,০০০ টকাকৈ এককালীন অনুদান আগবঢ়োৱা হয়।

'দীন দয়াল দিব্যাংগজন সাহায্য আঁচনি'ৰ অধীনত ২০১৮-১৯ বৰ্ষত (SOPD হিচাপে) ২০,০০০ লাখ টকা মুকলি কৰি দিয়া হৈছে।

**Transgender সম্প্ৰদায়ৰ কল্যাণ ঃ** এই নতুন আঁচনিখন ২০১৮-১৯ বৰ্ষত আৰম্ভ কৰা হৈছে। এই আঁচনিখনে Transgender সম্প্ৰদায়ৰ ডাটা বেচ (Database) প্ৰস্তুতকৰণ, দক্ষতা উন্নয়নৰ প্ৰশিক্ষণ, উদ্যমিতা আদিক সামৰি লৈছে যাতে উপযুক্ত পুনৰ সংস্থাপনসহ তেওঁলোকৰ জীৱনশৈলী আৰু জীৱিকাৰ কাম-কাজৰ ক্ষেত্ৰত এক ব্যাপক পৰিবৰ্ত্তন আনে। "Welfare of Transgender Community"ৰ অধীনত ২০১৮-১৯ বৰ্ষত ৰাজ্য চৰকাৰে (SOPD হিচাপে) ২০০ লাখ টকা মুকলি কৰি দিছে।

**ভূমি সংৰক্ষণ ঃ**

অসমৰ কৃষি আৰু ইয়াৰ সহযোগী খণ্ডৰ ক্ষেত্ৰত ভূমি সংৰক্ষণ বিভাগটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিভাগটোৱে বিভিন্ন কাম-কাজ ৰূপায়ণৰ জৰিয়তে অতি গুৰুত্বপূৰ্ণ তিনিটা প্ৰাকৃতিক সম্পদ ভূমি, পানী আৰু উদ্ভিদৰ কাৰ্যকৰী আৰু ফলপ্ৰসূ ব্যৱস্থাপনাৰ হকে কাম কৰে। বহনক্ষম কৃষিজাত সামগ্ৰী উৎপাদনৰ অৰ্থে আৰ্দ্ৰ ভূমি আৰু কৃষি ভূমিৰ উন্নয়ন কৰাটো হ'ল এই বিভাগৰ আন এক প্ৰধান উদ্দেশ্য। ৰূপায়ণ কৰা সকলোবোৰ আঁচনি হ'ল শ্ৰমিকমুখী তথা উৎপাদনমুখী আৰু সেয়েহে গ্ৰাম্য নিয়োগ সৃষ্টি আৰু ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ লোকৰ আৰ্থ সামাজিক অৱস্থা উন্নীতকৰণৰ ক্ষেত্ৰত এইসমূহে যথেষ্ট অৰিহণা যোগাইছে। বৰপেটা, কামৰূপ (মহানগৰ), যোৰহাট, গোলাঘাট আৰু নগাঁও জিলাত Signature Project ৰ অধীনত আৰ্দ্ৰ ভূমি উন্নয়ন, গুৱাহাটী মহানগৰত Pilot Project হিচাপে আকস্মিক বানপানীৰ সমস্যা দূৰ কৰাৰ লেখীয়া বিভিন্ন প্ৰকল্প ৰূপায়ণৰ বাবে অগ্ৰাধিকাৰৰ ক্ষেত্ৰসমূহ মোৰ চৰকাৰে চিনাক্ত কৰিছে।

মোৰ চৰকাৰে সমগ্ৰ অসমখনৰ মানচিত্ৰ তৈয়াৰ কৰিবলৈ মেঘালয়ৰ NESAC ৰ সহযোগত পদক্ষেপ গ্ৰহণ কৰিছে।

**ক্ৰীড়া আৰু যুৱ কল্যাণ ঃ**

গুৱাহাটীক দেশৰ ক্ৰীড়াৰ ৰাজধানী আৰু অসমক এক ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতি থকা মাননীয় মুখ্যমন্ত্ৰীৰ সপোনক সাকাৰ ৰূপ দিয়াৰ বাবে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ প্ৰতিশ্ৰুতিবদ্ধ।

এই লক্ষ্যৰে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে ক্ৰীড়াৰ সৰ্বাংগীন উন্নয়নৰ বাবে তথা সমগ্ৰ ক্ৰীড়া ব্যৱস্থাটোত এক পদ্ধতিগত পৰিৱৰ্তন অনাৰ অৰ্থে অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে সমন্বিত ক্ৰীড়া নীতি যুগুত কৰিছে আৰু ইয়াক অধিসূচিত কৰিছে।

ক্ৰীড়াবিদসকলক উপযুক্ত পৰিচৰ্যা, সা-সুবিধা প্ৰদান তথা তেওঁলোকক উৎসাহিত কৰাৰ অৰ্থে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজ্য তথা দেশলৈ সুনাম আৰু গৌৰৱ কঢ়িয়াই অনা ক্ৰীড়াবিদসকলক তেওঁলোকৰ অসাধাৰণ প্ৰদৰ্শনৰ বাবে এক নগদ ধনৰ পুৰস্কাৰ প্ৰদানৰ নীতি মোৰ চৰকাৰে যুগুত কৰিছে।

অসমক ভাৰতৰ ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ মাননীয় মুখ্যমন্ত্ৰীৰ সপোনৰ লগত সংগতি ৰাখি আৰু সকলো ক্ৰীড়া শাখাতে যুৱক-যুৱতীসকলক তেওঁলোকৰ দক্ষতা আৰু সামৰ্থ বিকাশৰ বাবে সাহায্য আগবঢ়োৱাৰ অৰ্থে ২০১৯ বৰ্ষত ছয়টা অলিম্পিক ক্ৰীড়া শাখাত অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ নামত এখন অত্যাধুনিক ক্ৰীড়া একাডেমীৰ কাম ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে আৰম্ভ কৰিব আৰু অলিম্পিক ক্ৰীড়া শাখাসমূহত ব্যক্তিগত অংশীদাৰিত্বৰ দ্বাৰা ক্ৰীড়া একাডেমী স্থাপনৰ ক্ষেত্ৰত সহায় কৰিব।

অসম চৰকাৰে ডিব্ৰুগড়ৰ খনিকৰ গাঁৱত এখন অত্যাধুনিক বহু-শাখাযুক্ত ক্ৰীড়া প্ৰকল্প স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই প্ৰকল্পৰ বাবে ড'নাৰ মন্ত্ৰালয়ে ইতিমধ্যে ১৩৭.০০ কোটি টকা মঞ্জুৰ কৰিছে। SOPD ৰ পুঁজিৰে ঠিক একে ধৰণৰ প্ৰকল্প লখিমপুৰৰ সাৱতি আৰু কামৰূপৰ শুৱালকুছিত আৰম্ভ কৰা হ'ব।

গুৱাহাটীত সফলতাৰে অনুষ্ঠিত হোৱা দ্বাদশ দক্ষিণ এছিয়া ক্ৰীড়াৰ স্মৃতি ৰক্ষাৰ্থে এই ক্ৰীড়া প্ৰতিযোগিতাখনৰ চৰকাৰী প্ৰতীক চিহ্ন “তীখৰ”ৰ নামত গুৱাহাটী বিশ্ববিদ্যালয়ত এখন থীম পাৰ্ক (Theme Park) নিৰ্মাণ কৰিবলৈ লোৱা হৈছে আৰু ইয়াৰ বাবে ভাৰত চৰকাৰে ১০০.০০ লাখ টকা মুকলি কৰি দিছে। ইয়াৰ বাবে ২০০.০০ লাখ টকাৰ প্ৰশাসনীয় অনুমোদন ইতিমধ্যে প্ৰদান কৰা হৈছে। এই পাৰ্ক ২০১৯ ৰ জুনত জনসাধাৰণৰ বাবে উৎসৰ্গা কৰা হ'ব।

তদুপৰি, ৰাজ্যখনৰ ক্ৰীড়াৰ সৰ্বাংগীন উন্নয়নৰ বাবে ২০১৯-২০ বৰ্ষত তলত উল্লেখিত নতুন আঁচনিসমূহ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে হাতত ল'বলৈ প্ৰস্তাৱ লৈছে —

(১) মহিলাসকলৰ মাজত খেল আৰু ক্ৰীড়াৰ প্ৰসাৰ আৰু জনসাধাৰণৰ অংশগ্ৰহণ আৰু ক্ৰীড়া প্ৰতিভাৰ সন্ধানৰ অৰ্থে মুখ্যমন্ত্ৰীৰ মহিলা ক্ৰীড়া প্ৰতিযোগিতা, ২০১৯ ।

(২) অলিম্পিক ক্ৰীড়া শাখাসমূহত স্কুলীয়া ক্ৰীড়াক উৎসাহিত কৰিবলৈ আৰু প্ৰতিভাসমূহক চিনাক্ত কৰি উলিয়াবলৈ জিলা আৰু ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক স্কুল অলিম্পিয়াড।

(৩) গুৱাহাটীক এখন ক্ৰীড়া ৰাজধানী হিচাপে প্ৰক্ষেপ কৰিবলৈ আৰু “এক্ট ইষ্ট্ প'লিচী”ৰ লগত সংগতি ৰাখি ক্ৰীড়া পৰ্যটনক উৎসাহিত কৰাৰ অৰ্থে আচীয়ান দেশসমূহৰ মাজত আচীয়ান ফুটবল প্ৰতিযোগিতা।

**চাহ জনজাতি কল্যাণ ঃ**

ৰাজ্যখনৰ চাহ-জনজাতিৰ কল্যাণৰ অৰ্থে মোৰ চৰকাৰে বহুকেইখন আঁচনি ৰূপায়ণ কৰি আহিছে।

২০১৭-১৮ বৰ্ষৰ পৰা চলি থকা অসামৰিক সেৱাসমূহত পৰীক্ষাৰ পূৰ্বৰ ক'ছিং আঁচনিখন অব্যাহত ৰাখি ৫০ গৰাকী ছাত্ৰৰ সংখ্যা বৃদ্ধিৰে গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ছমাহৰ বৰ্দ্ধিত সময়ৰ এক অধিক প্ৰসাৰিত তথা গভীৰ প্ৰশিক্ষণ ইতিমধ্যে আৰম্ভ হৈছে আৰু চৰকাৰৰ সকলোবোৰ

চিকিৎসা আৰু নাৰ্ছিং প্ৰতিষ্ঠানৰ উপলব্ধ হোৱাকৈ ২০০ বাছনি কৰা প্ৰাৰ্থীলৈ বিনামূলীয়া প্ৰশিক্ষণ প্ৰদানৰ বাবে জি এন এম প্ৰশিক্ষণৰ এক বিশেষ পাঠ্যক্ৰমৰ আৰ্হি প্ৰস্তুত কৰা হৈছে।

চাহ-জনজাতি কল্যাণ বিভাগে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ সহযোগত চাহ-জনজাতিৰ ৮৪০ গৰাকী প্ৰাৰ্থীক অসমৰ ৯ (ন') খন উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত নিয়োগ আধাৰিত প্ৰশিক্ষণ প্ৰদান কৰাৰ এক উদ্ভাৱনামূলক কাৰ্যসূচী আৰম্ভ কৰা হৈছে।

চাহ জনজাতিৰ মাজত ক্ৰীড়া উন্নয়ন সাধনৰ উদ্দেশ্যে শোণিতপুৰ জিলাৰ ৰঙাপাৰা আৰু তিনিচুকীয়া জিলাৰ চোটা তিংৰাইত ফুটবল একাডেমীৰ লগতে চৰাইদেউ জিলাৰ সোণাৰিত ধনুৰ্বিদ্যা একাডেমী স্থাপনৰ বাবে চাহ-জনজাতি কল্যাণ বিভাগে প্ৰস্তাৱ কৰিছে।

এক বাৰ্ষিক অনুষ্ঠানলৈ পৰিৱৰ্তিত হোৱা মুখ্যমন্ত্ৰীৰ চাহ-জনজাতি ফুটবল টুৰ্ণামেণ্টখনে সমাজখনৰ ক্ৰীড়া প্ৰতিভাসমূহক চিনাক্ত কৰাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। চলিত বৰ্ষত ২৬ খন জিলাৰ ৫১ টাতকৈয়ো অধিক বিধানসভা সমষ্টিত ৭৫০ খন ফুটবল খেল অনুষ্ঠিত কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

বিভাগটোৱে অসম চাহ-কৰ্মচাৰী কল্যাণ বোৰ্ডত জমা থকা পুঁজিৰ পৰা কৰ্কট আৰু মাৰাত্মক ৰোগসমূহত আক্ৰান্ত ৰোগীসকললৈ বিত্তীয় সাহায্য প্ৰদানৰ বাবে প্ৰচেষ্টা হাতত লৈছে। চলিত বৰ্ষতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চৌহদত কেৱল চাহ-জনজাতিৰ লোকসকলৰ বাবে এটা ৰোগী অতিথিশালা নিৰ্মাণৰ পৰিকল্পনা হাতত লোৱা হৈছে। চাহ-জনজাতি কল্যাণ বিভাগে ৰাজহুৱা স্বাস্থ্য বিভাগ আৰু চাহ বাগিছা কৰ্তৃপক্ষৰ সহযোগিতাৰে ২০১৮-১৯ বৰ্ষত ৰূপায়ণৰ বাবে ৰাজ্যখনৰ ২০ খন চাহ বাগিছাত ক্ষুদ্ৰ গ্ৰাম্য পানী যোগান আঁচনিৰ কাম হাতত লৈছে। আত্ম-সহায়ক গোটৰ জৰিয়তে সমূহীয়া আত্মনিৰ্ভৰশীলতা আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ ভূমিকাৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ২০১৮-১৯ বৰ্ষত চাহ-

জনজাতিৰ ১,০০০ টা মহিলা আত্ম-সহায়ক গোটলৈ ২৫,০০০ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব।

**পৰ্যটন ঃ**

অসম চৰকাৰে পৰ্যটন খণ্ডক বিনিয়োগৰ এক অন্যতম ক্ষেত্ৰ হিচাপে চিনাক্ত কৰিছে আৰু পৰ্যটন বিভাগে এই উদ্যোগটোৰ প্ৰচাৰ তথা উন্নয়নৰ বাবে বিভিন্ন পন্থা গ্ৰহণ কৰিছে।

যোৱা বছৰটোত পৰ্যটন বিভাগৰ কেইটামান উল্লেখযোগ্য সাফল্য হৈছেঃ ১) অসম পৰ্যটনৰ ব্ৰেণ্ডিং আৰু প্ৰচাৰ, ২) পুণ্যধাম যাত্ৰা, ৩) আমাৰ আলহী আৰু ৪) অম্বুবাচী মেলা আদি।

মোৰ চৰকাৰে নিম্নোক্ত পৰিকল্পনাবোৰ অনুমোদন আৰু আৱণ্টনৰ বাবে ভাৰত চৰকাৰৰ পৰ্যটন বিভাগলৈ প্ৰেৰণ কৰিছে।

১) স্বদেশ দৰ্শনৰ অধীনত অসমৰ ডিমা-হাছাও উত্তৰ-পূব ভাৰত চাৰ্কিটৰ অনুমোদনৰ বাবে ধাৰণা প্ৰস্তাৱ।

২) স্বদেশ দৰ্শনৰ অধীনত অসমৰ বড়োলেণ্ডৰ বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিলত উত্তৰ-পূব ভাৰত চাৰ্কিটৰ অনুমোদনৰ বাবে ধাৰণা প্ৰস্তাৱ।

৩) স্বদেশ দৰ্শনৰ আঁচনিৰ অধীনত নসত্ৰৰ কৃষ্ণগুৰু সেৱাশ্ৰমক এক আধ্যাত্মিক পৰ্যটনস্থলীলৈ গঢ়ি তুলিবৰ বাবে উন্নয়ন সাধনৰ অৰ্থে ধাৰণা প্ৰস্তাৱ।

**ৰূপান্তৰ আৰু উন্নয়ন ঃ**

বিভিন্ন বিভাগৰ সাত বছৰীয়া কৌশলা আঁচনি আৰু তিনি বছৰীয়া কৰ্ম আঁচনি (এছ পি এ পি)ৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত ৰাজ্যখনত বহনক্ষম উন্নয়ন লক্ষ্য লাভ কৰাৰ উদ্দেশ্যে এটা মধ্যমীয়া সময়ৰ দলিলৰূপে ‘আসাম এজেণ্ডা ২০৩০’ প্ৰস্তুত কৰা হৈছে।

কিছুমান পিছপৰা জিলাত দ্ৰুত আৰু কাৰ্যক্ষম পৰিৱৰ্তনৰ বাবে ২০১৮ চনৰ জানুৱাৰীত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰীয়ে ‘ট্ৰেন্সফৰমেছন অৱ এছপিৰেছনেল ডিষ্ট্ৰিক্ট ’ৰ শুভাৰম্ভ কৰে। অভিলাষী, ঐক্যবদ্ধ আৰু কেন্দ্ৰীভূত মনোযোগ প্ৰদানৰ বাবে নিটি আয়োগে ভাৰতৰ ১১৫ খন পিছপৰা জিলা চিনাক্তকৰণ কৰিছে। ইয়াৰ ভিতৰত অসমৰ দৰং, বৰপেটা, ধুবুৰী, গোৱালপাৰা, বাকছা, ওদালগুৰি আৰু হাইলাকান্দি এই সাত খন জিলা অন্তৰ্ভুক্ত কৰা হৈছে। এই জিলাসমূহৰ উপায়ুক্তই উন্নয়নসূচীৰ প্ৰতি লক্ষ্য ৰাখি জিলা কৰ্ম আঁচনি দাখিল কৰাৰ লগতে প্ৰধান ক্ষেত্ৰ আৰু প্ৰয়োজনীয় অঞ্চলসমূহ চিনাক্ত কৰিছে। সময়মতে ঈপ্সিত ফলাফল লাভৰ বাবে পৰিৱৰ্তন আৰু উন্নয়ন বিভাগে আঁচনিখন সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ আকাংক্ষিত বহুমুখী আৰু বহু আৰ্হি (Multi Model) মঞ্চ ‘প্ৰগতি’ (The Pro Pro-Active Governance and Timely Implementation) ২০১৫ চনৰ ২৫ মাৰ্চত আৰম্ভ কৰিছে। সৰ্বসাধাৰণ লোকৰ ওপৰত গুৰুত্ব প্ৰদান আৰু চৰকাৰী আঁচনি আৰু প্ৰকল্পৰ নিৰীক্ষণত প্ৰগতিৰ উদ্দেশ্য। পৰিৱৰ্তন আৰু উন্নয়ন বিভাগৰ ই এম ডিভিজন ‘প্ৰগতি’ সমন্বয়কাৰী বিভাগ। ২০১৮ চনৰ ছেপ্তেম্বৰ মাহ পৰ্যন্ত ‘প্ৰগতি’ৰ ৫টা ভিডিঅ’ কনফাৰেন্স অনুষ্ঠিত হৈছে।

ড’নাৰ মন্ত্ৰালয়ে অসমৰ বাবে ৪,৭৭১.০৫ কোটি টকা অনুমোদিত ব্যয়সাপেক্ষে মুঠ ৬৫২ টা প্ৰকল্প (বি টি চি পেকেজ, কে এ এ টি চি পেকেজ আৰু ডি এইচ্ এ টি চি পেকেজসমূহ ধৰি) আৱণ্টন কৰা হৈছে। মন্ত্ৰালয়ে ৩,৩১৩.৮২ কোটি টকা ইতিমধ্যে মুকলি কৰি দিছে (২১ ডিচেম্বৰ, ২০১৮ পৰ্যন্ত) আৰু ইয়াৰে ২,৮৮২.২৫ কোটি টকা ৰাজ্যখনত ব্যৱহাৰ কৰা হৈছে।

২০১৮-১৯ বৰ্ষত উত্তৰ-পূব পৰিষদে অসমলৈ নিয়মোচিত আৱণ্টন হিচাপে ১৩৬.০০ কোটি টকা আৱণ্টন কৰিছে। উত্তৰ-পূব পৰিষদৰ সংশোধিত

নিৰ্দেশনাৱলী অনুসৰি পুঁজি আৱণ্টনৰ বাবে গুৰুত্ব আৰোপ কৰা ক্ষেত্ৰসমূহ হৈছে বাঁহ, গাহৰি পালন, আঞ্চলিক পৰ্যটন, উচ্চ শিক্ষা, তৃতীয় পৰ্যায়ৰ স্বাস্থ্য সেৱা, টেলিমেডিছিন, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ইত্যাদি। এই ক্ষেত্ৰত পূৰ্বৰ ৯০ঃ১০ অনুপাতত পুঁজি আৱণ্টনৰ বিপৰীতে ২০১৭-১৮ ৰ পৰা ২০১৯-২০ বৰ্ষলৈ ১০০% কেন্দ্ৰীয় পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰা হৈছে।

**পৰিবহন ঃ**

অসমৰ পৰিবহন আয়ুক্তালয় হৈছে ৰাজ্যখনৰ পৰিবহন বিভাগৰ অধীনৰ এটা মুখ্য ৰাজহ সংগ্ৰহকাৰী অংশ। পৰিবহন বিভাগে চৰকাৰৰ ৰাজহ বৃদ্ধি কৰাৰ প্ৰক্ৰিয়াটোত ৰাজ্যখনৰ জনসাধাৰণলৈ সুৰক্ষিত আৰু বহনক্ষম পৰিবহন ব্যৱস্থা উপলব্ধ কৰোৱায়। বিভাগটোৱে ইয়াৰ ৰাজহৰ পৰিমাণ ক্ৰমাগতভাৱে বৃদ্ধি কৰিবলৈ সক্ষম হৈছে (নৱেম্বৰ, ২০১৮ পৰ্যন্ত)।

জলপথসমূহ হৈছে আমাৰ অৰ্থনৈতিক সম্ভাৱনাৰ মুখ্য চালিকাশক্তি। চলিত বিত্তীয় বৰ্ষত অসমৰ আভ্যন্তৰীণ জল-পৰিবহনে মাজুলী আৰু গুৱাহাটী ভিত্তিক ফেৰিসেৱাৰ বাবে ৫ (পাঁচ)খন নতুন জাহাজৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছে। এই জাহাজকেইখনৰ ১০০ জনতকৈয়ো অধিক আৰোহী, যথেষ্ট সংখ্যক দুচকীয়া আৰু চাৰিচকীয়া বাহন কঢ়িয়াব পৰা ক্ষমতা আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ আকাংক্ষিত বহুমুখী আৰু বহু আৰ্হি (Multi Model) মঞ্চ 'প্ৰগতি' (The Pro Pro-Active Governance and Timely Implementation) ২০১৫ চনৰ ২৫ মাৰ্চত আৰম্ভ কৰিছে। সৰ্বসাধাৰণ লোকৰ ওপৰত গুৰুত্ব প্ৰদান আৰু চৰকাৰী আঁচনি আৰু প্ৰকল্পৰ নিৰীক্ষণত প্ৰগতিৰ উদ্দেশ্য। পৰিৱৰ্তন আৰু উন্নয়ন বিভাগৰ ই এম ডিভিজন 'প্ৰগতি' সমন্বয়কাৰী বিভাগ। ২০১৮ চনৰ ছেপ্তেম্বৰ মাহ পৰ্যন্ত 'প্ৰগতি'ৰ ৫টা ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত হৈছে।

**নগৰ উন্নয়ন ঃ**

নগৰ উন্নয়নৰ মুখ্য কাৰ্য হৈছে নগৰাঞ্চলত ৰাজহুৱা সা-সুবিধা প্ৰদান আৰু নগৰীয় জীৱন-ধাৰণ প্ৰণালীৰ উন্নীতকৰণৰ বাবে নগৰীয় স্থানীয় নিকায়সমূহলৈ বিত্তীয় সাহায্য প্ৰদান কৰা। এতিয়ালৈকে নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগে চূড়ান্ত আৰু খচৰাকে ধৰি ৪০ খন 'মাষ্টাৰ প্লেন' প্ৰস্তুত কৰিছে আৰু ৪৫ খন 'মাষ্টাৰ প্লেন' প্ৰস্তুতিৰ পৰ্যায়ত আছে। মোৰ চৰকাৰে গুৱাহাটী মহানগৰীৰ বাদে অসমৰ অন্যান্য প্ৰধান চহৰসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে 'নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি' নামেৰে নগৰীয় উন্নয়নৰ এখন নতুন আঁচনি আৰম্ভ কৰিছে। এই পুঁজিৰ অধীনত নিৰ্বাচিত প্ৰকল্পসমূহ হৈছে- নদীৰ পাৰৰ উন্নয়ন, প্ৰধান পথ, ৰাজহুৱা উদ্যান, বিবাহ ভৱন, জিলা পুথিভঁৰাল, জিলা ষ্টেডিয়াম ইত্যাদি।

নগৰীয় স্থানীয় নিকায়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ অৰ্থে ২০১৮-১৯ বৰ্ষত অসমৰ সাধাৰণ স্থানসমূহত বিভিন্ন আঁচনি SOPD-ODS-ৰ অধীনত ৰূপায়ণ কৰা হৈছে, যেনে-২০০.০০ কোটি টকা ব্যয়েৰে পেভাৰ ব্লক সমন্বিতে বাট-পথৰ নিৰ্মাণ/ উন্নয়ন, ১০.০০ কোটি টকা ব্যয়েৰে ৰাজহুৱা প্ৰস্ৰাৱগাৰ নিৰ্মাণ, ২০.০০ কোটি টকা ব্যয়েৰে নগৰীয় স্থানীয় নিকায়মূহৰ বিদ্যুৎ বিল, নগৰীয় স্থানীয় নিকায়সমূহলৈ ২০.০০ কোটি টকাৰ সহায়ক অনুদান প্ৰদান, ১৪.০০ কোটি টকা ব্যয়েৰে নগৰীয় স্থানীয় নিকায় সমূহলৈ হাই মাষ্ট্ লাইট প্ৰদান।

নগৰীয় আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগে ২০১৬-১৭ ৰ পৰা ২০১৯-২০ বৰ্ষলৈ অসমৰ সাধাৰণ এলেকাসমূহৰ নগৰীয় স্থানীয় নিকায়সমূহলৈ ২৮১.১৮ কোটি টকাৰ অনুমোদন জনাইছে। এই পৰিমাণ গোটা আৱৰ্জনাৰ ব্যৱস্থাপনা, বজাৰ, বাছষ্টেণ্ড, সুলভ শৌচালয় আদিৰ নিৰ্মাণ/ উন্নয়নৰ বাবে অনুমোদন কৰা হৈছে। পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগৰ অধীনত ৫৩ টা নগৰীয় স্থানীয় নিকায়লৈ ৩৬.২৪ কোটি টকা মুকলি কৰি দিয়া হৈছে।

স্বচ্ছ ভাৰত মিছনে ব্যক্তিগত পৰিয়ালসমূহৰ বাবে টুইন পিট চেনিটেৰী টয়লেট নিৰ্মাণ, মুকলিত শৌচ-প্ৰস্ৰাৱ বন্ধ কৰিবলৈ ৰাজহুৱা আৰু সমূহীয়া প্ৰস্ৰাৱগাৰ নিৰ্মাণৰ দৰে কামেৰে মিছনৰ লক্ষ্যৰ দিশত আগবাঢ়িছে।

দীনদয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় নগৰীয় জীৱিকা অভিযান, অসম হৈছে ভাৰত চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰীয় পৰিক্ৰমা দপ্তৰৰ এটি ধ্বজাবাহী অভিযান। এই অভিযানৰ মুখ্য উদ্দেশ্য হৈছে মহিলাসকলক সৱল তথা সংগঠিত কৰা আৰু মহিলা আত্ম-সহায়ক গোটৰ লগতে আঞ্চলিক পৰ্যায়ৰ ফেডাৰেশ্যনবোৰৰ পুনৰুত্থান। এতিয়ালৈকে অসম সমবায় আইন, ২০০৭ ৰ অধীনত ১০,৩১২ টা মহিলা আত্ম-সহায়ক গোট আৰু ৪৬০ টা আঞ্চলিক পৰ্যায়ৰ ফেডাৰেশ্যনৰ পঞ্জীয়ন কৰা হৈছে।

**জলসম্পদ ঃ**

ভাৰত চৰকাৰৰ দ্বাৰা ১৯৫৪ চনত বানপানীৰ ৰাষ্ট্ৰীয় নীতি ঘোষণা কৰাৰ পিছতহে অসমত বানপানীৰ নিয়ন্ত্ৰণৰ কাম-কাজ আৰম্ভ হয়। জলসম্পদ বিভাগে এতিয়ালৈকে ৪,৪৮৬.৪৪ কি.মি. মথাউৰি নিৰ্মাণ, ৯৮৩ টা খহনীয়া প্ৰতিৰোধী আৰু নগৰ সুৰক্ষাৰ কাম-কাজ, ১০০ খন মুখ্য শ্লুইছ আৰু ৫৪৫ খন গৌণ শ্লুইছ নিৰ্মাণ, ৮৮১.৯৭ কি.মি. নলা খান্দি আৰু ইতিমধ্যে থকা মথাউৰিসমূহৰ ৮৭৫.৬৪ কি.মি. ওখ আৰু শক্তিশালী কৰি ৰাজ্যখনৰ ৩১.০৫ লাখ হেক্টৰ বানপানী প্ৰৱণ অঞ্চলৰ ভিতৰত ১৬.৫০ লাখ হেক্টৰ ভূমি সুৰক্ষিত কৰিছে।

নাবাৰ্ডৰ অধীনত ২০১৮-১৯ বৰ্ষত ৰূপায়ণৰ বাবে ৪৯ খন আঁচনিৰ বাবে নাবাৰ্ডৰ দ্বাৰা ১০০ কোটি টকা মঞ্জুৰ কৰা হৈছে আৰু আঁচনিসমূহৰ বাবে প্ৰশাসনিক অনুমোদনৰ কাম-কাজ চলি আছে।

**সংখ্যালঘুৰ কল্যাণ আৰু উন্নয়ন ঃ**

২০১৮-১৯ বিত্তীয় বৰ্ষত মোৰ চৰকাৰে চৰ অঞ্চল উন্নয়ন সঞ্চালকালয় অসমৰ জৰিয়তে বাইচাইকেল (১১,৫০০ খন), সৌৰ ঘৰুৱা চাকি (৪৭০০ টা), তাৰা হেণ্ডপাম্প (১৩৮০ টা), মহিলাৰ ছাতি (১৪,০০০ টা), চিলাই মেচিন (৩২৫০ টা) বিতৰণ কৰিছে। ইয়াৰোপৰি ধৰ্মীয় সংখ্যালঘুসকলৰ কল্যাণৰ অৰ্থে ২০১৮-১৯ বৰ্ষত মোৰ চৰকাৰে অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ জৰিয়তে এ

এন এম, জি এন এম, ডিপ্ল'মা ইন্ মেডিকেল লেবৰেটৰী টেকনিচিয়ান, ডিপ্ল'মা ইন্ ফিজিঅ'থেৰাপি, বেটচেলাৰ ইন্ ফিজিঅ'থেৰাপি, বেটচেলাৰ ইন্ মেডিকেল লেবৰেটৰী টেকনিছিয়ান, বি এছ চি নাছিং, আই চি ইউ/অ'টি/ডায়েলাইচিছ টেকনিচিয়ান, সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা (মেডিকেল আৰু ইঞ্জিনিয়াৰিং)ৰ ক'ছিঙৰ দৰে প্ৰশিক্ষণ কাৰ্যসূচী, দিব্যাংগসকললৈ হুইল চেয়াৰ বিতৰণ, সৌৰ ষ্ট্ৰীট লাইট বিতৰণ, নিবনুৱা যুৱক-যুৱতীলৈ ই-ৰিক্সা বিতৰণ কৰিছে।

কেন্দ্ৰীয় পুঁজি প্ৰাপ্ত আঁচনি প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যক্ৰম (পূৰ্বৰ এম এছ ডি পি)-ৰ অধীনত ভাৰত চৰকাৰৰ সংখ্যালঘু কল্যাণ মন্ত্ৰালয়ৰ দ্বাৰা অসমৰ বাবে ২০১৮-১৯ বৰ্ষত ১১,৯১১.০০ লাখ টকা আৱণ্টন কৰা হৈছে।

**ভৈয়াম জনজাতি আৰু পিছপৰা জাতি কল্যাণ ঃ**

অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছ পৰা শ্ৰেণীৰ লোকসকলৰ স্ব-নিয়োজন, উন্নত শিক্ষা, স্বাস্থ্য সেৱা, আন্তঃগাঁথনি উন্নয়ন আৰু আৰ্থ-সামাজিক সৱলীকৰণৰ বাবে বহুতো আঁচনি ৰূপায়ণ কৰি থকা হৈছে।

২০১৮-১৯ বৰ্ষত ৰাজ্যখনৰ পিছপৰা শ্ৰেণীসমূহৰ শৈক্ষিক উন্নয়নৰ অৰ্থে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছ পৰা শ্ৰেণীৰ শিক্ষাৰ্থীসকললৈ প্ৰাক্-প্ৰৱেশিকা জলপানিৰ বাবে ৯৫০.১৪ লাখ টকা আৰু প্ৰৱেশিকোত্তৰ জলপানিৰ বাবে১০,৯৮৫.০০ লাখ টকাৰ আৱণ্টন দিয়া হৈছে।

পিছপৰা শ্ৰেণীসমূহৰ নিৱনুৱা যুৱক-যুৱতীৰ বাবে স্বনিয়োজনৰ লক্ষ্যেৰে দক্ষতা বিকাশৰ বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচী চলোৱা হৈছে। ২০১৮-১৯ বৰ্ষত, ৰাজ্যখনৰ অনুসূচিত জাতি আৰু জনজাতিৰ যুৱক-যুৱতী সকলৰ কল্যাণৰ অৰ্থে দক্ষতা উন্নয়ন আঁচনিৰ বাবে ৮১০.০০ লাখ টকা আৱণ্টন কৰা হৈছে।

৬ খন স্বায়ত্বশাসিত পৰিষদ (এম এ চি, আৰ এইছ এ চি, টি এ চি, এছ কে এ চি, টি কে এ চি, ডি এ চি) ৰ অধীনত থকা বিভিন্ন স্থানীয় জনজাতিৰ

উন্নয়নৰ অৰ্থে ২০১৮-১৯ বৰ্ষত ২৫৭২৭৯.০০ লাখ টকা আৱণ্টন কৰা হৈছে। একেদৰে ২০১৮-১৯ বৰ্ষত ৩১ খন উন্নয়ন পৰিষদৰ দ্বাৰা আৰ্থ-সামাজিক উন্নয়নৰ বাবে ৯৩০.০০ লাখ টকা আৱণ্টন কৰা হৈছে।

মোৰ চৰকাৰে জনজাতীয় উপ-পৰিকল্পনাৰ জৰিয়তে জনজাতীয় এলেকাসমূহৰ উন্নয়ন আৰু অনুসূচিত জাতিৰ উপ-পৰিকল্পনাৰ দ্বাৰা অনুসূচিত জাতিৰ লোকসকলৰ কল্যাণৰ অৰ্থে বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। ২০১৮-১৯ বৰ্ষত জনজাতীয় উপ-পৰিকল্পনা আৰু অনুসূচিত জাতি উপ-পৰিকল্পনাৰ অধীনত ক্ৰমে ৮০০৮.০০ লাখ আৰু ১৮৬৯৫.০০ লাখ টকা আৱণ্টন দিয়া হৈছে।

সন্মানীয় সদস্যসকল, মই মোৰ চৰকাৰৰ নীতি আৰু কাৰ্যসূচীসমূহ দাঙি ধৰিলো। মোৰ চৰকাৰ এই সমূহৰ ৰূপায়ণৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। ৰাজ্যখনৰ সম্পূৰ্ণ উন্নয়ন আৰু অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ অৰ্থে এই নীতি তথা কাৰ্যসূচীসমূহলৈ সমৰ্থন আগবঢ়াবলৈ মই এই পৱিত্ৰ সদনক অনুৰোধ জনাইছোঁ।

জয় আই অসম

জয় হিন্দ